www.newsnextone.com
# ই-সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, OCTOBER 22, 2024 ■ মঙলবাৰ, ৫ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৮৮ Guwahati, Assam ।। মূল্যঃ এটকা

**বীৰুবালা ৰাভাৰ কন্যাক চেক প্ৰদান**


ই-সংবাদ, ২১ অক্টোবৰঃ অন্ধবিশ্বাস আৰু কু-সংস্কাৰ বিৰোধী আন্দোলনৰে গ্ৰামাঞ্চলৰ ২ পৃষ্ঠাত চাওক

## কংগ্ৰেছে বিহালী এৰি নিদিলে চামগুৰি, বঙাইগাঁৱত প্ৰাৰ্থী দিব লুৰীণ-অখিলে

# জয়ন্তক লৈ বিপদত গৌৰৱ!

**ই-সংবাদ, ২১ অক্টোবৰঃ** কংগ্ৰেছক বাদ দি অসম সন্মিলিত মৰ্চাই চামগুৰি আৰু বঙাইগাঁও সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। অসমৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে জনোৱামতে মৰ্চাৰ সমূহীয়া সিদ্ধান্তক গুৰুত্ব নিদিলে অসম সন্মিলিত মৰ্চাই কংগ্ৰেছক ত্যাগ কৰি আন আন দলেৰে মিত্ৰতা অব্যাহত ৰাখিব। লুৰীণে কয় অসম সন্মিলিত মৰ্চাই ৫টা বিধানসভা





সমষ্টিৰ ভিতৰত বিহালী সমষ্টিটোত চিপিআইএমলৰ প্ৰাৰ্থী বিবেক দাসক দিবৰ বাবে কংগ্ৰেছৰ প্ৰতি আহ্বান জনাইছিল আৰু মৰ্চাৰ সভাত এখন ৫ জনীয়া কমিটি গঠন কৰি শেষাংশ ২ পৃষ্ঠাত



শিলচৰত ভূপেন বৰা, সোমবাৰে

## ধলাই-ধেমাজিত বিজেপিত বিদ্ৰোহ, ৫ শতাধিকৰ দলত্যাগ

**ই-সংবাদ, ২১ অক্টোবৰঃ** উপ-নিৰ্বাচনক লৈ বৰাক বিজেপিত ভয়ংকৰ বিদ্ৰোহ আৰম্ভ হৈছে। বিজেপিয়ে উপ-নিৰ্বাচনৰ বাবে ধলাই সমষ্টিত প্ৰাৰ্থিত্ব ঘোষণা কৰাত খোদ নিজ দলৰে একাংশ লোকে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। ধলাইত বিজেপিয়ে প্ৰাৰ্থিত্ব প্ৰদান কৰা নিহাৰৰঞ্জন দাসক শেষাংশ ৩ পৃষ্ঠাত

## বিবাহৰ প্ৰলোভন দি ধৰ্ষণ! গুজৰাটৰ বিজেপি বিধায়কৰ বিৰুদ্ধে গোচৰ ৰুজু

**আহমেদাবাদ, ২১ অক্টোবৰঃ** বিয়াৰ প্ৰলোভন দি এগৰাকী দলিত যুৱতীক ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপন হৈছে বিজেপি শাসিত গুজৰাটৰ এজন শেষাংশ ৫ পৃষ্ঠাত

১২ পৃষ্ঠাত

### টী-২০ মহিলা বিশ্বকাপ ক্ৰিকেটত নতুন চেম্পিয়ন

৪ পৃষ্ঠাত

### আইচেং অসমলৈ অভিযোগৰ আঙুলি অসম আৰক্ষীৰ

### তথ্যচিত্ৰৰ গোচৰ, শুনানি জানুৱাৰীত

■ সবিশেষ ৫ পৃষ্ঠাত

### সোণাৰিত পথ দুৰ্ঘটনাত ১ নিহত, আহত একাধিক

■ বিতং বাতৰি ১১ পৃষ্ঠাত চাওক

### লাডাখক লৈ অব্যাহত সংঘাত আৰু নহ'ব!

সবিশেষ ৬ পৃষ্ঠাত



চামগুৰি কাণ্ডৰ পাছতে বিধায়কৰ সুৰক্ষা দাবী কৰি বিধানসভাৰ অধ্যক্ষক পত্ৰ কংগ্ৰেছৰ কেইবাজনো বিধায়কৰ

## ছিদলীৰ উপ-নিৰ্বাচন ইউপিপিএলৰ প্ৰাৰ্থী নিৰ্মল ব্ৰহ্ম, বিপিএফৰ হৈ যুঁজ দিব শুদ্ধই

**ই-সংবাদ, কোকৰাঝাৰ, ২১ অক্টোবৰঃ** বিটিআৰৰ শাসকীয় দল ইউপিপিএল আৰু মুখ্য বিৰোধী দল বিপিএফে আজি উপ-নিৰ্বাচনৰ বাবে ছিদলী সমষ্টিৰ প্ৰাৰ্থী ঘোষণা কৰে। চিৰাং জিলা ইউপিপিএলৰ সভাপতি নিৰ্মল কুমাৰ ব্ৰহ্মক প্ৰাৰ্থী ঘোষণা কৰে শেষাংশ ২ পৃষ্ঠাত

## মন্ত্ৰী পীযুষ হাজৰিকাৰ কনভয়ৰ খুন্দাত বিশ্বনাথৰ সাধাৰণত এজন নিহত

### ঘটনাস্থলীত নৰ'ল মন্ত্ৰী, ৰাইজৰ পথ অৱৰোধ



**ই-সংবাদ, ২১ অক্টোবৰঃ** মন্ত্ৰী-বিধায়কৰ দৃষ্টিত এইখন অসমত এতিয়া সাধাৰণ লোকৰ জীৱনৰ কোনো মূল্যই নোহোৱা হৈছে। মন্ত্ৰী-বিধায়কৰ গাড়ীৰ কনভয়ৰ সন্মুখত কুকুৰ-মেকুৰীৰ দৰে হৈ পৰে মানুহৰ জীৱন। বাৰে বাৰে বতাহৰ গতিত চলাচল কৰা মন্ত্ৰী-বিধায়কৰ গাড়ীৰ কনভয়ৰ খুন্দাত সাধাৰণ লোকে প্ৰাণ শেষাংশ ৩ পৃষ্ঠাত

## অচিৰেই ফ'ৰলেন নিৰ্মাণৰ দাবীত যোৰহাটত প্ৰতিবাদ এজেৱাইচিপিৰ

**ই-সংবাদ, যোৰহাট, ২১ অক্টোবৰঃ** উজনি অসমত একপ্ৰকাৰ মৰণফান্দত পৰিণত হোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটোৰ ফটৰলেনৰ নিৰ্মাণ কাৰ্য শীঘ্ৰে সম্পূৰ্ণ কৰাৰ দাবীত আজি যোৰহাটত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে অসম শেষাংশ ৫ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# জয়ন্তক লৈ বিপদত গৌৰৱ!

প্ৰতিবেদন বিচাৰিছিল। সেইমৰ্মে ৫ জনীয়া কমিটিয়ে দুখনকৈ প্ৰতিবেদন দাখিল কৰিছে আৰু এতিয়াও কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই অসম সন্মিলিত মৰ্চাক বিহালী বিধানসভা সমষ্টিটো বৃহত্তৰ স্বাৰ্থৰ খাতিৰত এৰি দিব বুলি আশা কৰাৰ কথা লুৰীণজ্যোতিয়ে জানিবলৈ দিছে। মৰ্চাৰ এক সূত্ৰৰ মতে বিহালী বিধানসভা সমষ্টি কংগ্ৰেছে এৰি নিদিলে মৰ্চাই চামগুৰিৰ জিয়াউৰ ৰহমান আৰু বঙাইগাঁৱৰ ৰাইজৰ দলৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰিব। অসম সন্মিলিত মৰ্চাৰ ৩ নেতা অজিত কুমাৰ ভূঞা, অখিল গগৈ আৰু লুৰীণজ্যোতি গগৈয়ে এই বিষয়ে মাৰাথান আলোচনা চলাই থকা বুলি জানিবলৈ দিছে। কেইবাজনো প্ৰাৰ্থীয়ে দুয়োটা সমষ্টিৰ বাবে প্ৰাৰ্থিত্ব আগবঢ়াবলৈ আগ্ৰহ প্ৰকাশ কৰা বুলি জানিব পৰা গৈছে। ইফালে অসম প্ৰদেশ কংগ্ৰেছ কমিটিত বিহালীৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি ব্যাপক চৰ্চা চলিছে। এপিচিচিৰ এটা শিবিৰে বিজেপিৰ পৰা পদত্যাগ কৰি কংগ্ৰেছত যোগদান নকৰা জনৈক জয়ন্ত বৰাক প্ৰাৰ্থিত্ব আগবঢ়ালে বিদ্ৰোহ হ'ব বুলি জানিবলৈ দিছে। বিশেষকৈ বিশ্বনাথ জিলা কংগ্ৰেছৰ সভাপতি দিলীপ কুমাৰ বৰুৱাই নিজেই বিহালী সমষ্টিত প্ৰাৰ্থিত্বৰ প্ৰস্তাৱ দিছিল। বৰুৱা এজন শক্তিশালী প্ৰাৰ্থী হোৱাৰ বিপৰীতে তেওঁৰ পুত্ৰ সঞ্জু বৰুৱা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক। এই দুয়োজন নেতাৰ অগোচৰে জনৈক জয়ন্ত বৰাই প্ৰাৰ্থিত্ব লাভ কৰিলে বিশ্বনাথ জিলাত বিসংবাদ হ'ব বুলি কংগ্ৰেছৰ এক সূত্ৰই আশংকা কৰিছে। ইফালে, বিহালী বিধানসভা সমষ্টিত প্ৰাৰ্থী নিৰ্বাচনৰ দায়িত্বত থকা সাংসদ গৌৰৱ গগৈয়েও বিতৰ্কৰ আওতাত সোমাই পৰিছে। একাংশ সংবাদ মাধ্যমে গৌৰৱ গগৈয়ে জয়ন্ত বৰাৰ প্ৰতি অহেতুক প্ৰীতি দেখুওৱা বুলি বাতৰি প্ৰকাশ কৰিছে। কংগ্ৰেছৰ এটা সূত্ৰয়ো অসম সন্মিলিত মৰ্চাৰ বৈঠকত বিহালী সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদানৰ বিষয়টোক লৈ ৫ জনীয়া কমিটি গঠন কৰি দিয়াৰ পিছত সেই কমিটিয়ে দাখিল কৰা প্ৰতিবেদনক অগ্ৰাহ্য কৰাৰ আঁৰত গৌৰৱ গগৈ আছে বুলি মত ব্যক্ত কৰা পৰিলক্ষিত হৈছে। অৱশ্যে কি কাৰণে গৌৰৱ গগৈয়ে দলত এতিয়ালৈকে যোগ নিদিয়া বিজেপি ত্যাগ কৰা নেতা এজনৰ প্ৰতি হঠাৎ দৰদী হৈ পৰিছে সেয়া জানিব পৰা হোৱা নাই। জিলা কমিটি তথা তৃণমূল পৰ্যায়ৰ নেতা-কৰ্মীৰ তীব্ৰ আপত্তি সত্বেও অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ একাংশ শীৰ্ষ নেতৃত্বই কংগ্ৰেছত যোগদান নকৰাকৈ জয়ন্ত বৰাক প্ৰাৰ্থিত্ব দিব খোজা বিষয়টোত আশ্চৰ্য প্ৰকাশ কৰিছে। এইক্ষেত্ৰত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাৰ ৰহস্যজনক ভূমিকাৰ কথাও চৰ্চালৈ আহিছে। লগতে গৌৰৱ গগৈৰ প্ৰতিও ভিতৰি ভিতৰি ক্ষুব্ধ হৈ পৰিছে কংগ্ৰেছ দলৰ লগতে মৰ্চাৰ অন্তৰ্গত দলসমূহৰ একাংশ নেতা। সদ্য সমাপ্ত লোকসভা নিৰ্বাচনত যোৰহাটত প্ৰতিটো দলে সন্মিলিতভাৱে গৌৰৱ গগৈৰ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ পিছতো এতিয়া মৰ্চাৰ প্ৰতি গগৈয়ে কিয় অমনোযোগী মনোভাৱ গ্ৰহণ কৰিছে বুলিও প্ৰশ্ন উত্থাপিত হৈছে। বিৰোধীৰ ঐক্য ভংগ হ'লে বিজেপিয়ে সহজে জয়ী হোৱাৰ সম্ভাৱনা বৃদ্ধি পোৱাতো নিশ্চিত হৈ পৰিছে। এনেধৰণৰ অপৰিপক্ক সিদ্ধান্তৰ বাবে ২০২৬ৰ নিৰ্বাচনত কংগ্ৰেছ দলৰ লগতে মুখ্যমন্ত্ৰী পদৰ সম্ভাব্য প্ৰাৰ্থী হিচাপে চৰ্চাত থকা গৌৰৱ গগৈ বিপদত পৰিব পাৰে বুলিও বিৰোধী ৰাজনীতিৰ বিষয়ে ভু-ৰখা মহলে মন্তব্য কৰা দেখা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ইউপিপিএলৰ প্ৰাৰ্থী নিৰ্মল ব্ৰহ্ম

ইউপিপিএলে। ইউপিপিএল দল গঠনৰ পাছৰে পৰা সক্ৰিয়ভাৱে দলৰ কাম-কাজ কৰি অহা নিৰ্মল কুমাৰ ব্ৰহ্ম দলটোৰ তৃণমূল পৰ্যায়ত কাম কৰাৰ অভিজ্ঞতা থকা নেতা। আনহাতে, বিপিএফ দলেও প্ৰাৰ্থী ঘোষণা কৰে। চিৰাং জিলা বিপিএফৰ কাৰ্যালয়ত দলৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে শুদ্ধ কুমাৰ বসুমতাৰীক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপৰ ঘোষণা কৰে। শুদ্ধ বসুমতাৰীয়ে বৰ্তমান বিপিএফত উপ-সভাপতি পদত কাৰ্যনিৰ্বাহ কৰি আছে। চিৰাং জিলাৰ কাশিকোত্ৰাস্থিত কাৰ্যালয়ত বিজেপি, অগপ নেতাৰ উপস্থিতিত ইউপিপিএল দলৰ সাধাৰণ সম্পাদক ৰাজু কুমাৰ নাৰ্জাৰীয়ে নিৰ্মল কুমাৰ ব্ৰহ্মৰ নাম ঘোষণা কৰে। নিৰ্মল কুমাৰ ব্ৰহ্মৰ নাম ঘোষণাৰ পাছতে কাশিকোত্ৰাত দীপাৱলীসদৃশ পৰিৱেশৰ সৃষ্টি হয়। আতচবাজী আৰু পুষ্পবৃষ্টিৰে নিৰ্মল কুমাৰ ব্ৰহ্মক আদৰণি জনাইছে দলটোৰ নেতা-কৰ্মীয়ে। নিৰ্মল কুমাৰ ব্ৰহ্মই ২৪ অক্টোবৰত মিত্ৰজোঁটৰ শীৰ্ষ নেতাৰ উপস্থিতিত মননোয়ন পত্ৰ দাখিল কৰিব। হাগ্ৰামা মহিলাৰীয়ে ছিদলীৰ প্ৰাৰ্থী ঘোষণা কৰি শুদ্ধ বসুমতাৰী কোন তাকো চিনাকী দিয়ে। হাগ্ৰামাই কয় যে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম সভাপতি থকাৰ সময়ত এবছুৰ মুখপাত্ৰ আছিল শুদ্ধ বসুমতাৰী। এজন সমাজকৰ্মী তথা বিপিএফৰ জ্যেষ্ঠ নেতা। বিপিএফৰ প্ৰাৰ্থীয়ে ছিদলীত ৮২ হাজাৰ ভোট লাভ কৰি বিজয়ী হ'ব বুলি দাবী কৰে হাগ্ৰামাই। প্ৰাৰ্থীৰ নাম ঘোষণাৰ পাছতে বিপিএফৰ কাৰ্যালয়ত আনন্দ-উল্লাস প্ৰকাশ কৰে একাংশ নেতা-কৰ্মীয়ে। শুদ্ধ বসুমতাৰীক আৰনাই, ফুলাম গামোচাৰে আদৰণি যাচে। ইফালে, এনডিএ মিত্ৰজোঁটৰ হৈ ইউপিপিএল দলৰ প্ৰাৰ্থী হিচাপে নিৰ্মল কুমাৰ ব্ৰহ্মৰ নাম ঘোষণা কৰাৰ পিছতেই ইউপিপিএল দলত পুনৰ দলীয় বিদ্ৰোহৰ সূত্ৰপাত ঘটা দেখা গৈছে। জানিব পৰা মতে, লোকসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বিপিএফ দল ত্যাগ কৰি ইউপিপিএলত যোগদান কৰা প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মই আজি দলীয় টিকটৰ পৰা বঞ্চিত হোৱাৰ পিছত মনোনয়ন পত্ৰ সংগ্ৰহ কৰে। বিয়লিৰ ভাগত প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মৰ হৈ তেওঁৰ অনুগামী হিচাপে পৰিচিত অশোক ব্ৰহ্ম আৰু ইন্দ্ৰজিত ব্ৰহ্মই কাজলগাঁৱৰ জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা মনোনয়ন পত্ৰ সংগ্ৰহ কৰে আৰু মনোনয়ন পত্ৰ সংগ্ৰহ কৰাৰ ফটো সামাজিক মাধ্যমত প্ৰচাৰ কৰে। ইয়াৰ পিছতে সমষ্টিটোত উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি আন এক ৰাজনৈতিক বিদ্ৰোহৰ সূত্ৰপাত হৈছে। অৱশ্যে এই সন্দৰ্ভত কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে চন্দন ব্ৰহ্মৰ মনোনয়ন পত্ৰ সংগ্ৰহ কৰাৰ বিষয়টোক বিশেষ গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হোৱা নাই। তেওঁ কয় যে মনোনয়ন পত্ৰ সংগ্ৰহ কৰাতো কোনো ডাঙৰ কথা নহয়। সাংসদ জয়ন্ত বসুমতাৰীৰ বিশ্বাস বিপিএফ দলক বেয়া পাই ইউপিপিএল দলত যোগদান কৰা আৰু দীঘলীয়া ৰাজনৈতিৰ অভিজ্ঞতাৰে পুষ্ট নেতা তথা প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মই দল বিৰোধী স্থিতি গ্ৰহণ নকৰিব বুলি আশা প্ৰকাশ কৰে। সমষ্টিটোত কংগ্ৰেছৰ টিকট পাইছে সঞ্জীৱ ৰাৱীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বীৰুবালা ৰাভাৰ কন্যাক চেক

সজাগ কৰি যোৱা প্ৰয়াত নেত্ৰী বীৰুবালা ৰাভাৰ পৰিয়ালক আজি ৫ লাখ টকাৰ চেক প্ৰদান কৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীৰ আৱাসত উপস্থিত হোৱা বীৰুবালা ৰাভাৰ কন্যা কুমলী ৰাভাৰ হাতত চেকখন প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। চেক প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে তথা মহিলা সবলীকৰণৰ দিশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি এক উচ্চ আদৰ্শ প্ৰতিষ্ঠা কৰি যোৱা পদ্মশ্ৰী প্ৰয়াত বীৰুবালা ৰাভা বাইদেউ আমাৰ সকলোৰে বাবে এক প্ৰেৰণাৰ উৎস। দিছপুৰস্থিত লোকসেৱা ভৱনৰ কাৰ্যালয়ত কন্যা কুমলী ৰাভাক পূৰ্বে ঘোষিত অনুসৰি ৫ লাখ টকাৰ এখন চেক আৰ্থিক সাহায্য হিচাপে আগবঢ়াও। প্ৰয়াত বীৰুবালা ৰাভাৰ পৰিয়ালবৰ্গই সন্মুখীন হোৱা বিভিন্ন সমস্যাৱাজিৰ বুজ লোৱাল বুলিও কয় মুখ্যমন্ত্ৰীয়ে। চৰকাৰৰ এই পদক্ষেপক সাধুবাদ জনাইছে সচেতন মহলে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ধলাই-ধেমাজিত বিজেপিত বিদ্ৰোহ

বাংলাদেশী আখ্যা দিছে বহু বিজেপি নেতা-কৰ্মীয়ে। বিজেপি ত্যাগী অমিয়কান্তি দাসেও নিহাৰৰঞ্জন দাসক বাংলাদেশী আখ্যা দিছে। নিহাৰৰঞ্জন দাসৰ বিৰুদ্ধে কেইবাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰি ধলাইত ৫০০ নেতা-কৰ্মীয়ে বিজেপি ত্যাগৰ কথা ঘোষণা কৰিছে। আনহাতে, বিজেপিৰ টিকট বঞ্চিত অমিয়কান্তি দাসে নিৰ্দলীয়ভাৱে নিৰ্বাচন খেলিব বুলি ঘোষণা কৰিছে। মুঠতে ধলাইত ভয়ংকৰ আউল লাগিছে বিজেপিত। বিজেপিৰ প্ৰাৰ্থী ঘোষণাৰ পিছতো প্ৰচাৰৰ গতি দিব পৰা নাই। প্ৰায় ৫০০ নেতা-কৰ্মীয়ে পদত্যাগৰ পাছতে অমিয়কান্তি দাসে কয় যে মই নেতা-কৰ্মীক কঠোৰ পদক্ষেপ ল'বলৈ উৎসাহিত কৰা নাই। কিন্তু মই ধলাইৰ জনসাধাৰণৰ বাবে কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ নিজৰ পদত্যাগক ন্যায়সংগত সিদ্ধান্ত বুলি কয়। তিনিটা দশক ধৰি দলটোৰ প্ৰতি সেৱা আগবঢ়োৱা দাসে দুখ প্ৰকাশ কৰি কয় যে মোৰ অৱদানক উপেক্ষা কৰা হৈছে। দলৰ ভিতৰত পক্ষপাতিত্ব কৰা হৈছে। বিজেপি ত্যাগ কৰি অহা সহযোগীসকলক তেওঁৰ সৈতে থিয় দিবলৈ আহ্বান জনাইছে ধলাইৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ ঘোষণা কৰে। ২০ অক্টোবৰত বিজেপিয়ে ধলাইৰ উপ-নিৰ্বাচনৰ বাবে নিহাৰৰঞ্জন দাসক প্ৰাৰ্থী হিচাপে ঘোষণা কৰাত অমিয়কান্তি দাসে দলৰ পদৰ পৰা পদত্যাগ কৰিছিল।

**ধেমাজিত ৯২ নেতা-কৰ্মীয়ে এৰিলে দলঃ** ডেৰটা মাহত অসমত ভাৰতীয় জনতা পাৰ্টিৰ ৬০ লাখ ৬৩ হাজাৰ সদস্য ভৰ্তি হৈছে। ইয়াকে লৈ চৰকাৰৰ মুৰব্বী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পৰা আৰম্ভ কৰি বিজেপিৰ প্ৰতিগৰাকী নেতা এয়া বিজেপিৰ অনন্য কৃতিত্ব আখ্যা দি আহিছে। তেনে সময়তে দলক ভেটি মজবুত কৰি ৰখা বিজেপিৰ তৃণমূল পৰ্যায়ৰ নেতা-কৰ্মীৰ অৱস্থা কেনে পৰ্যায় পাইছে সেই খবৰ লৈছে নে বিজেপিয়ে। বিজেপিৰ শীৰ্ষ নেতৃত্বই সদ্যভৰ্তি ৬০ লাখ হোৱাত গদগদ হৈ বুকু ফিন্দাই ফুৰিছে যদিও শীৰ্ষ নেতৃত্বই তৃণমূলৰ নেতা-কৰ্মীক চৰম অৱজ্ঞা তথা উপেক্ষা কৰাৰ অভিযোগ উত্থাপন হৈছে। ধেমাজি জিলাৰ চিলাপথাৰত একেটা দিনতে ৯২গৰাকী বিজেপি নেতা-কৰ্মীয়ে দলত্যাগ কৰিছে। চিলাপথাৰ বেতনিপাম গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি বিক্ৰম গগৈসহ ৯২ বিজেপি কৰ্মীয়ে পদত্যাগ কৰাৰ ঘোষণা কৰি ধেমাজি জিলা বিজেপিৰ সভাপতিক পত্ৰ প্ৰেৰণ কৰিছে। দলৰ বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰি থকা নেতাসকলে সমূহীয়া পদত্যাগ কৰাত সমগ্ৰ উজনি অসম আৰু উত্তৰ অসমত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি ধেমাজি জিলা বিজেপিৰ সভানেত্ৰীলৈ প্ৰেৰণ কৰা পদত্যাগ পত্ৰত উল্লেখ কৰা মতে বেতনিপাম পঞ্চায়তৰ দলীয় নেতা-কৰ্মীসকলে প্ৰতিটো নিৰ্বাচন আৰু বিভিন্ন কাৰ্যসূচীত উৎসৰ্গিত মনোভাৱেৰে সেৱা আগবঢ়াইছে। কিন্তু নিজ দলৰ শীৰ্ষ নেতা তথা সাংসদ-বিধায়কে চৰম অৱজ্ঞা কৰি আহিছে নেতা-কৰ্মীসকলক। একাংশ নেতা-কৰ্মীয়ে উল্লেখ কৰা মতে, নৰেন্দ্ৰ মোদীৰ আদৰ্শৰে সেৱা মনোভাৱেৰে তেওঁলোকে দল কৰি আহিছে। কিন্তু দলৰ শীৰ্ষ নেতৃত্বই তেওঁলোকক গুৰুত্ব নিদিয়াৰ ফলত বেতনিপাম গাঁও পঞ্চায়ত কোনো উন্নয়নমূলক কাম হোৱা নাই। সমানে ৰাইজৰ মতামত অবিহনে সাধাৰণ জনতাক মাধমাৰ শোধাই বাধ্যতামূলকভভাৱে স্মাৰ্ট মিটাৰ লগাইছে। স্মাৰ্ট মিটাৰত পূৰ্বৰ তুলাত অত্যাধিক বিল অহাত ৰাইজ অতিষ্ঠ হৈছে। একেদৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ ব্যাপক মূল্যবৃদ্ধিৰক চৰকাৰে গুৰুত্ব নিদিয়াত পদত্যাগ কৰা বুলি উল্লেখ কৰিছে। পদত্যাগ পত্ৰ জিলা সভানেত্ৰীলৈ প্ৰেৰণ কৰিছে। বিগত লোকসভা নিৰ্বাচনত যোৰহাট লোকসভা সমষ্টিত পৰাজিত হোৱাৰ পাছৰে পৰা উজনি আৰু উত্তৰ অসমত বিজেপিৰ অথন্তৰ অব্যাহত আছে। উত্তৰ অসমৰ-উজনি অসমত বিজেপিৰ বহু পুৰণি নেতাই দলত উপেক্ষিত হোৱাৰ অভিযোগ উত্থাপন কৰি দলত্যাগ কৰিছে। ভৱেন মহন, যুধিষ্ঠিৰ গগৈৰ দৰে জ্যেষ্ঠ নেতাই দলত্যাগ কৰিছে। এইবাৰ উত্তৰ অসমত বিজেপিত আৰম্ভ হৈছে সমূহীয়া পদত্যাগৰ জোৱাৰ। এনেদৰে এতিয়া শাসকীয় দলতো আৰম্ভ হৈছে ব্যাপক অন্তৰ্কলহ আৰু বিসংবাদ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মন্ত্ৰী পীযুষ হাজৰিকাৰ কনভয়ৰ

হেৰুৱাইছে। তথাপিও মন্ত্ৰীৰ কনভয়ৰ গতি কম নহ'ল। চাইৰেন বজাই ৰজাৰ দৰে চলাচল কৰা মন্ত্ৰীৰ কনভয়ৰ গাড়ীৰ খুন্দাত পুনৰ সাধাৰণ নাগৰিকৰ প্ৰাণ গৈছে এইখন অসমত। মন্ত্ৰীৰ কনভয়ৰ খুন্দাত আজি বিশ্বনাথত থিতাতে নিহত এজন লোকৰ নিথৰ দেহ পৰি ৰ'ল ৰাজপথত। পুনৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ কনভয়ৰ খুন্দাত এজন লোকে প্ৰাণ হেৰুৱাবলগীয়া হোৱাৰ অভিযোগে এতিয়া ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। মন্ত্ৰী পীযুষ হাজৰিকাৰ কনভয়ে উত্তৰ অসমত বিশ্বনাথ জিলাত এজন লোকে পথ অতিক্ৰম কৰিবলৈ লোৱাৰ সময়তে খুন্দিয়াই থৈ পলায়ন কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। বিশ্বনাথ জিলাৰ সাধাৰুৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত মন্ত্ৰী পীযুষ হাজৰিকাৰ কনভয়ে এজন লোকক খুন্দাই পলায়ন কৰাৰ অভিযোগ উঠে। একাংশ প্ৰত্যক্ষদৰ্শীৰ মতে, সাধাৰুৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথেৰে পাৰ হৈ যোৱা এটা কনভয়ে লোকজনক তীব্ৰ গতিত খুন্দা মাৰে। লোকজনক খুন্দা মাৰি কনভয়ৰ গাড়ীখনক কেনেবাকৈ ৰাজপথতে পৰি নোযোৱাৰ পৰা ৰক্ষা কৰিবলৈ সক্ষম হয় চালকজন। প্ৰায় ২০ ছেকেণ্ডৰ ভিতৰতে সেই স্থান ত্যাগ কৰে কনভয়ৰ গাড়ীসমূহে। লোকজনক চিকিৎসালয়লৈ নিয়াৰ পৰিৱৰ্তে পথত পেলাই থৈ কনভয়টোৱে পলায়ন কৰে। কিছু সময় পাছতে লোকজনে প্ৰাণ ত্যাগ কৰে। এই খবৰ বনজুইৰ দৰে বিয়পি পৰাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। লগে লগে শতাধিক লোক একত্ৰিত হৈ পথ অৱৰোধ কৰি হৈ-হাল্লা কৰিবলৈ ধৰে। মৃতদেহ পথৰ পৰা নিবলৈ নিদিয়াৰ হুংকাৰ দিয়ে। পৰিস্থিতি উত্তেজনাপূৰ্ণ হোৱাত আৰক্ষী মোতায়েন কৰাৰ লগতে জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষক উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ প্ৰয়াস কৰে। একাংশ লোকে জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰে। তেতিয়াই জিলা আয়ুক্তই পীযুষ হাজৰিকাৰৰ কনভয়ৰ গাড়ী বুলি স্বীকাৰ কৰি কয় যে মন্ত্ৰী ছাৰে আগতে ওলাই গৈছে। পলমকৈ অহা এছকৰ্টৰ গাড়ীয়েহে খুন্দিয়াইছে। তেখেতে বিশ্বনাথ টাউনলৈ মাতিছে। কিন্তু ৰাইজে সেই কথা মানি লোৱা নহ'ব বুলি কোৱাত জিলা আয়ুক্তই একাংশ লোকক সৈমান কৰি চাৰিজন লোকক মন্ত্ৰীৰ সৈতে আলোচনা কৰিবলৈ বিশ্বনাথ টাউনলৈ নিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। জিলা আয়ুক্তৰ নিজৰ গাড়ীত লৈ যোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। মন্ত্ৰী ছাৰে মোৰ সৈতে কথা পাতিছে। কিবা লাগিলে দিম বুলি কৈছে। সকাম কৰিবলৈ বা কিবা লাগিলে দিম কৈছে। জিলা আয়ুক্তই মন্ত্ৰীৰ ওচৰলৈ লৈ যোৱাৰ বাবে দায়বদ্ধ বুলিও কয়। তেনে সময়তে এখন এম্বুলেন্সত মৃতদেহ ভৰাই নিয়া পৰিলক্ষিত হোৱাত ৰাইজে উত্তেজিত হৈ পৰে। সেই সময়ত উচ্চপদস্থ আৰক্ষী বিষয়াক প্ৰশ্ন কৰাত আমি ন্যায় দিব নোৱাৰো বুলি আৰক্ষীয়ে কেৰাহী চকুৰে ৰাইজক চোৱাহে পৰিলক্ষিত হয়। এজন আৰক্ষীয়ে বিষয়াই কয় যে ভগৱানে যিটো বিচাৰিছে সেইটো হৈ গৈছে। এতিয়া দুৰ্ভগীয়া পৰিয়ালটোক সহায় লাগিব নে নালাগে বুলি ওলোটাই প্ৰতিবাদকাৰীক প্ৰশ্ন কৰে। সেই সময়তে পুনৰ ৰাইজে উত্তেজিত হৈ এমএলএ, মন্ত্ৰী হ'লে কি হ'ল, আমাক ন্যায় লাগে বুলি চিঞৰ-বাখৰ আৰম্ভ কৰে। এমএলএক ইয়ালৈকে মাত বুলি কয় উত্তেজিত ৰাইজে। আৰক্ষীৰ বিৰুদ্ধে খৰ্গহস্ত লোকে কয় যে আমাক এটা হেলমেট নিপিন্ধিলে ফাইন লগায়। কিন্তু এমএলএ কাৰণে এৰি দিয়া হৈছে। একাংশ স্থানীয় লোকে উল্লেখ কৰা মতে, স্থানীয় বাগিচাৰ শ্ৰমিক আছিল মৃত ৰাকেশ তেলামী। বাগানৰ কাম সমাপ্ত কৰি আহি থকাৰ সময়তে কনভয়ে খুন্দিওৱাত ৰাকেশ নিহত হয়। পথ অতিক্ৰম কৰাৰ সময়তে খুন্দা মাৰিছিল ৰাকেশক। প্ৰায় দুই ঘণ্টা সময়ৰ মূৰকত আৰক্ষীয়ে ৰাজপথ মুকলি কৰিবলৈ সক্ষম হয়। উক্ত দুৰ্ঘটনাটোক লৈ গোচৰ ৰুজু হ'ল নে নাই সেয়া জানিব পৰা হোৱা নাই। মন্ত্ৰীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ সাহস হ'ব নে বিশ্বনাথ আৰক্ষীৰ, সেয়া লক্ষণীয় হ'ব। উল্লেখ্য যে কেইমাহমান পূৰ্বে গুৱাহাটী মহানগৰীতো মন্ত্ৰী পীযুষ হাজৰিকাৰ কনভয়ৰ খুন্দাত এজন যুৱক নিহত হৈছিল। যোৱা মাৰ্চ মাহত মহানগৰীৰ খানাপাৰাৰ সমীপত নিশাৰ ভাগত সংঘটিত হৈছিল উক্ত দুৰ্ঘটনাটো। মন্ত্ৰীৰ তীব্ৰবেগী কনভয়ে খুন্দিয়াই পেলাই থৈ গৈছিল কৰ্মস্থলীৰ পৰা ঘূৰি অহা ৰূপমজ্যোতি বৰা নামৰ যুৱকজনক। ফলত ঘটনাটোত থিতাতে নিহত হৈছিল যুৱকজন।

## সংবাদ মাধ্যমলৈ বিবৃতি প্ৰেৰণ কৰি শিৱসাগৰ আৰক্ষীৰ অভিযোগ

# আইচেং অসমে ৰচনা কৰিছিল অ'এনজিচিৰ বিষয়া অপহৰণৰ ষড়যন্ত্ৰ

**ই-সংবাদ, শিৱসাগৰ, ২১ অক্টোবৰঃ** ৰাজ্য জোঁকাৰি নিয়া অ'এনজিচিৰ পাঁচ বিষয়াৰ অপহৰণৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে জোৰদাৰ অনুসন্ধান চলাই থকা শিৱসাগৰ আৰক্ষীয়ে আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰিছে এক বিজ্ঞপ্তি। বিজ্ঞপ্তিটোত এই অপহৰণ ষড়যন্ত্ৰৰ সৈতে জড়িত থকাৰ অভিযোগত ইৰচাদ লটিফ, চফিকুৰ ৰহমান, ত্ৰিণয়ন বাৰুৱাতী, মুবিন হাজৰিকা, জৰিফউদ্দিন আহমেদ নামৰ পাঁচ গৰাকীকৈ ব্যক্তিক আনুষ্ঠানিক গ্ৰেপ্তাৰ কৰাৰ কথা উল্লেখ কৰাৰ লগতে আটকৰ সময়ত গুলীবিদ্ধ হোৱা মৰাণৰ ৰাহুল হাজৰিকা ওৰফে লাডেনক সুস্থ হ'লেই চিকিৎসালয়তেই গ্ৰেপ্তাৰ কৰি নিজৰ জিম্মাত লোৱা হ'ব বুলি উল্লেখ কৰিছে। সম্প্ৰতি বকতা নেমুগুৰি আৰক্ষী থানাত পঞ্জীয়নভুক্ত ১১/২০২৪ নম্বৰৰ গোচৰটোৰ ভিত্তিত গ্ৰেপ্তাৰ কৰি অধিক জেৰাৰ বাবে নিজৰ জিম্মাত লোৱা পাঁচ অভিযুক্তক পৃথকে পৃথকে বিভিন্ন আৰক্ষী থানাত জেৰা কৰি থকাৰ বাতৰি পোৱা গৈছে। ১৬ অক্টোবৰৰ পুঁৱতি নিশা মৰাণৰ খেলমাটি গাৱঁৰ পৰা আটক কৰাৰ সময়তেই পলাবলৈ চেষ্টা কৰাৰ অভিযোগত গুলীবিদ্ধ হোৱা প্ৰাক্তন আলফা সদস্য ৰাহুল হাজৰিকা ওৰফে লাডেন ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। শিৱসাগৰ আৰক্ষীয়ে চিকিৎসালয়তেই নজৰবন্দী কৰি ৰখা ৰাহুল হাজৰিকাকো চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই সুস্থ হোৱাৰ প্ৰমাণ পত্ৰ দিলেই ১১/২০২৪ নম্বৰৰ গোচৰটোৰ ভিত্তিত গ্ৰেপ্তাৰ কৰি পোনে পোনে শিৱসাগৰ আদালতত হাজিৰ কৰাই নিজৰ জিম্মাত বিচাৰৰ বাতৰি পোৱা গৈছে। উল্লেখ্য যে অ'এনজিচিৰ বহু বিতৰ্কিত বিষয়া, সুদখোৰৰ মাস্তাৰ মাইণ্ড তাহিৰুল হুছেইনৰ নেতৃত্বত আলফা স্বাধীনৰ শীৰ্ষ নেতা অভিজিত গগৈ ওৰফে আইচেং অসমৰ পৰিচালনাত গঠন হৈছিল অ'এনজিচিৰ পাঁচ শীৰ্ষ বিষয়া অপহৰণৰ এই বিশেষ গোটটো। খোদ নিগমৰ নিজৰেই বিষয়া তথা সহকাৰী অভিযন্ত্ৰা তাহিৰুল হুছেইন আৰু প্ৰাক্তন আলফা নেতা ৰাহুল হাজৰিকাই স্থানীয়ভাৱেঅপহৰণ কাৰ্য্যত সহায় কৰিবলৈ গঠন কৰিছিল এই বিশেষ গোটটো। যিটো গোটত আছিল ধৃত ইৰচাদ লটিফ ওৰফে মিঠু, টিয়কৰ ত্ৰিনয়ন বাৰুৱতী, পোনজানৰ চফিকুৰ ৰহমান, দিচাংমুখ ৰিৰিয়াৰ এএছটিচিৰ স্থায়ী বাছ চালক মুবিন হাজৰিকাৰ লগতে জৰিফউদ্দিন আহমেদ নামৰ অন্য এজন যুৱক। ইয়াৰ ইৰচাদ লটিফৰ বাদে আটাই কেইজনকে পলাতক তাহিৰুল হুছেইনে দহৰ পৰা পোন্ধৰ লাখ টকা আদায় দিয়াৰ প্ৰলোভনেৰে এই ভয়ংকৰ অপহৰণ ষড়যন্ত্ৰত জড়িত কৰোৱাৰ লগতে সফল হলে ইয়াতকৈও অধিক ধন আলফা স্বাধীনৰ তৰফৰ পৰা প্ৰদান কৰাৰ আশ্বাস দিছিল। তাহিৰুল, ইৰচাদ লটিফ আৰু ৰাহুল হাজৰিকাই মূল পৰিকল্পনা ৰচনা কৰাৰ লগতে আটাই কেইগৰাকীকেই পৃথক পৃথক দায়িত্ব অৰ্পণ কৰা হৈছিল। আইচেং অসমে ইয়াৰ বাবে আটাই কেইগৰাকীৰ মাজত গোপনীয় যোগাযোগৰ বাবে ডিমাপুৰৰ এটা চক্ৰৰ পৰা অনাই দিছিল প্ৰায় ৩৬ খনকৈ মবাইল ফোনৰ ছিম কাৰ্ড। সুদীৰ্ঘ এমাহ ৪ দিন ধৰি অতি গোপনে তাহিৰ বাহিনীয়ে তৈয়াৰ কৰা এই ভয়ংকৰ ব্লুপ্ৰিন্টৰ আধাৰতেই যোৱা ৬ অক্টোবৰৰ সন্ধিয়া ৬ বজাৰ পৰা ৬ বাজি ৩০ মিনিটৰ ভিতৰত চেপন-চুনপুৰা পথত এই দলবদ্ধ অপহৰণৰ বাবে সময় স্থিৰ কৰা হৈছিল। দুটা একে চিৰিফৰ ৰাইফল, দুটা পিষ্টলেৰে সুসজ্জিত ৪ আলফা স্বাধীনৰ গেৰিলাক এখন ইনভা আৰু এখন টিয়া'গ গাড়ীৰে অসম-নগালেণ্ড সীমান্তৰ দুৰ্গম লেঙীবৰ বাকুপুখুৰীৰ পৰা শিৱসাগৰলৈ অনা হৈছিল। আৰক্ষী, কেন্দ্ৰীয় চোৰাংচোৱাই ভু নোপোৱাকৈ ৰঁচনা কৰা এই ভয়ংকৰ অপহৰণৰ পৰিকল্পনাৰ পৰিৱৰ্তে ৰাষ্ট্ৰীয় ঘাইপথত সন্দেহজনক দুখন বাহনৰ উপস্থিতি লাভ কৰিছিল আৰক্ষী সঞ্চালক প্ৰধানৰ কাৰ্য্যালয়ে। এই তথ্যৰ ভিত্তিত লগে লগেই শিৱসাগৰ আৰক্ষীয়ে গাড়ী দুখন অনুসৰণ কৰাৰ লগতে সম্ভাব্য কুটাঘাতৰ আশংকাত সমগ্ৰ জিলাখনত কঠোৰ নিৰাপত্তাৰ বেহু ৰঁচনা কৰিছিল। যাৰ পৰিপ্ৰেক্ষিতত কোনো ঘটনা সংঘটিত নহ'ল যদিও আৰক্ষীৰ গোপন অনুসন্ধানৰ অন্তত প্ৰায় ৮ দিনৰ বিৰতিত ইৰচাদ লটিফ ওৰফে মিঠুক আটকৰ পিছতেই পোহৰলৈ আহে এই ভয়ংকৰ ঘটনা। এক মাত্ৰ শিৱসাগৰ আৰক্ষীৰ তৎপৰতাৰ বাবেই এক ভয়ংকৰ অপহৰণৰ পৰিকল্পনা ব্যৰ্থ হ'ল যদিও পোহৰলৈ আহিবলৈ ধৰিলে কেতবোৰ বিস্ফোৰক তথ্য। আলফা স্বাধীনৰ শীৰ্ষ নেতা আইচেং অসমৰ পৰিচালনাত নিগমৰ বিষয়া তাহিৰুল হুছেইনৰ নেতৃত্বত সংগঠিত ৰূপত ভয়ংকৰ অপহৰণৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰিবলৈ সক্ষম হোৱা শিৱসাগৰ আৰক্ষীয়ে যোৱা পাঁচটা দিনত ধাৰাবাহিকভাৱে ইজনৰ পিছত সিজনক জালত পেলাবলৈ সক্ষম হোৱাৰ লগতে এজনক এনকাউন্টাৰ কৰিবলৈ সক্ষম হয়। শিৱসাগৰ আৰক্ষীৰ কঠোৰ স্থিতিত আতংকৃত হৈ কালি নিশা আৰক্ষীৰ ৰাডাৰত থকা ধাইআলিৰ নিবাসী জৰিফউদ্দিন আহমেদ নামৰ এজন যুৱকক পৰিয়ালৰ লোকে শিৱসাগৰ সদৰ আৰক্ষীক চমজাই দিয়ে। ইফালে ষড়যন্ত্ৰত জড়িত আটাইকেইগৰাকীৰ বিৰুদ্ধে বিগত আঠদিনীয়া অনুসন্ধানত বিজ্ঞান ভিত্তিক তথ্য প্ৰমাণ লাভ কৰাৰ কথাও আৰক্ষীয়ে উল্লেখ কৰিছে।




ৰাষ্ট্ৰীয় ঘাইপথৰ ফ'ৰলেনৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰাৰ দাবীত এজেৱাইচিপিৰ মানৱ শৃংখল কাৰ্যসূচী, যোৰহাটত সোমবাৰে

# বিবাহৰ প্ৰলোভন দি ধৰ্ষণ!

■ প্ৰথম পৃষ্ঠাৰ পৰা...

বিজেপি বিধায়কৰ বিৰুদ্ধে। ভুক্তভোগী যুৱতীগৰাকীয়ে এই অভিযোগ সন্দৰ্ভত আৰক্ষীৰ কাষ চপাৰ পিছতো আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত অৱশেষত ন্যায় বিচাৰি আদালতৰ কাষ চাপিছিল। ইয়াৰ পিছতে গুজৰাট উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত এতিয়া গোচৰ ৰুজু কৰা হৈছে গুজৰাটৰ বাংসকন্থাৰ প্ৰান্তীয় বিধানসভাৰ বিজেপি বিধায়ক তথা ৰাজ্যৰ প্ৰাক্তন মন্ত্ৰী গজেন্দ্ৰ সিংহৰ বিৰুদ্ধে। জানিব পৰা মতে, অনুসূচিত জাতি আৰু জনজাতি আইনৰ অধীনত বিধায়কজনৰ বিৰুদ্ধে ধৰ্ষণ, ভাবুকিকে ধৰি একাধিক অভিযোগো দাখিল কৰা হৈছে। অভিযোগ অনুসৰি, ২০২০ চনত এই নিৰ্যাতন আৰু ধৰ্ষণকাণ্ড সংঘটিত কৰিছিল গজেন্দ্ৰ সিংহই। দলিত যুৱতীগৰাকীৰ অভিযোগ অনুসৰি, বিয়াৰ প্ৰলোভন দি সেই বছৰৰ ৩০ জুলাইত বিজেপি বিধায়কজনে তেওঁক গান্ধীনগৰস্থিত বিধায়ক আৱাসলৈ নি তাত শাৰীৰিক সম্পৰ্ক স্থাপন কৰে। কিন্তু পিছত বিধায়কজনে যুৱতীগৰাকীৰ ফোনৰ উত্তৰ দিয়া বন্ধ কৰাৰ লগতে আনকি ভাবুকিও প্ৰদান কৰাৰ অভিযোগ উত্থাপন কৰে যুৱতীগৰাকীয়ে। এই অভিযোগ লৈ যুৱতীগৰাকীয়ে প্ৰথমে আৰক্ষীৰ কাষ চাপে যদিও আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ২০২১ চনত তেওঁ উচ্চ ন্যায়ালয়ৰ দাৰস্থ হয়। লক্ষণীয় যে, গুজৰাটৰ শাসকীয় দলৰ বিধায়ক গজেন্দ্ৰ সিংহৰ বিৰুদ্ধে এয়াই প্ৰথম নহয় নাৰী নিৰ্যাতনৰ অভিযোগ। ৰাজস্থানৰ এগৰাকী কিশোৰীক যৌন নিৰ্যাতনৰ গোচৰো চলি আছে বিধায়কজনৰ বিৰুদ্ধে। এই গোচৰত যোৱা বছৰ গুজৰাট উচ্চ ন্যায়ালয়ে তেওঁৰ অগ্ৰিম জামিন আবেদন নাকচ কৰিছিল। ইফালে বিজেপি নেতাৰ বিৰুদ্ধে বাৰম্বাৰ উত্থাপিত যৌন নিৰ্যাতনৰ অভিযোগক লৈ সৰৱ হৈ পৰিছে বিৰোধী। যৌন নিৰ্যাতনৰ অভিযুক্ত হোৱা সত্বেও ২০২২ৰ গুজৰাট বিধানসভা নিৰ্বাচনত গজেন্দ্ৰ সিংহক পুনৰ প্ৰাৰ্থিত্ব প্ৰদান কৰিছিল বিজেপিয়ে। ইয়াৰ দ্বাৰাই মহিলা আৰু যুৱতীসকলৰ প্ৰতি নৰেন্দ্ৰ মোদী-অমিত শ্বাহৰ মানসিকতা স্পষ্ট হৈ পৰা বুলি সমালোচনা কৰিছে গুজৰাট কংগ্ৰেছে। ইফালে বিজেপি বিধায়কৰ বিৰুদ্ধে নিৰ্যাতনৰ অভিযোগ উত্থাপনৰ পিছতো আৰক্ষীয়ে কোনো ব্যৱস্থা নকৰাক লৈও তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে বিৰোধীয়ে। এয়া বিজেপিৰ নীতি বুলিও অভিযোগ বিৰোধীৰ।

# অচিৰেই ফ'ৰলেন নিৰ্মাণৰ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে। এই পথছোৰ যোৰহাটৰ পৰা বগীবিল পৰ্যন্ত প্ৰায় ১০৭ কি:মি: অংশছোৱাৰ ফ'ৰলেনলৈ উন্নীতকৰণৰ কাম ২০১৫ চনৰ ১ জুন তাৰিখৰ পৰা আৰম্ভ কৰা হৈছিল। কিন্তু অতি পৰিতাপৰ বিষয় যে ফ'ৰলেন উন্নীতকৰণৰ দায়িত্বত থকা কেন্দ্ৰীয় চৰকাৰৰ সংস্থা ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড চমুকৈ এনএইছআইডিচিএলৰ দুৰ্নীতি আৰু এই সংস্থাটোৰ অধীনত ফ'ৰলেন নিৰ্মাণৰ কাম কৰা ঠিকাদাৰী প্ৰতিষ্ঠানসমূহৰ ব্যাপক অনিয়মৰ বাবে আজি ৯ বছৰেও এই পথছোৱাৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠা নাই। যোৰহাটৰ পৰা মৰাণলৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ফ'ৰলেনলৈ উন্নীতকৰণৰ কামত ২০১৫ চনৰ পৰা বহু নিৰ্মাণ প্ৰতিষ্ঠানে কাম লৈ ১০ শতাংশও কাম নকৰাকৈ পলায়ন কৰাটো গতানুগতিক ঘটনাত পৰিণত হৈছে। তদুপৰি উক্ত পথছোৱাত বহু সন্দেহজনক, উপযুক্ত যোগ্যতা নথকা আৰু পূৰ্বতে ব্লেকলিষ্ট হোৱা নিৰ্মাণ প্ৰতিষ্ঠানকো অনৈতিকভাৱে কাম দিয়া হৈছে। বৰ্তমানেও যিবোৰ নিৰ্মাণ প্ৰতিষ্ঠানক পথছোৱাৰ নিৰ্মাণ দায়িত্ব দিয়া হৈছে সেই প্ৰতিষ্ঠানসমূহৰ কাম-কাজ সন্তোষজনক নহয়। ২০১৫ চনৰ পৰা বৰ্তমানলৈ উক্ত পথছোৱা নিৰ্মাণৰ বাবে বাৰম্বাৰ ঠিকাদাৰী প্ৰতিষ্ঠান সলনি হৈ থকাৰ বাবে আজি ৯ বছৰেও অতি গুৰুত্বপূৰ্ণ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ যোৰহাটৰ পৰা মৰাণলৈ অংশছোৱা জৰাজীৰ্ণ অৱস্থাত আছে। ইয়াৰ ফলত অসমৰ অন্য প্ৰান্তৰ পৰা উজনি অসমলৈ যাতায়ত কৰা একমাত্ৰ আৰু অতি গুৰুত্বপূৰ্ণ পথছোৱাত যাতায়ত কৰা দুৰ্বিসহ হৈ পৰিছে। জৰাজীৰ্ণ এই পথছোৱাৰ বাবে বিগত সময়ত বহু দুৰ্ঘটনা সংঘটিত হৈছে আৰু ইতিমধ্যে বহু লোকৰ মৃত্যু পৰ্যন্ত হৈছে। এই পথছোৱা নিৰ্মাণত সংঘটিত দুৰ্নীতি অনিয়মৰ তদন্ত কৰি নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ বাবে ইতিপূৰ্বে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ লগতে অসমৰ অনান্য দল সংগঠন আৰু অসমৰ ৰাইজে বিভিন্ন সময়ত দাবী জনাই অহাৰ পিছতো চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই বিষয়টোত গুৰুত্ব প্ৰদান কৰা নাই। ফলত পথছোৱাত একাধিক দুৰ্ঘটনা সংঘটিত হৈ বহু লোকে প্ৰাণ হেৰুৱালগীয়া হৈছে। এনে পৰিপ্ৰেক্ষিতত আজি পুনৰ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ কাকজান অঞ্চলত মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণৰ জৰিয়তে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ যোৰহাটৰ পৰা মৰাণলৈকে পথছোৱা নিৰ্মাণত এনএইছআইডিচিএল আৰু ঠিকাদাৰী প্ৰতিষ্ঠানসমূহে সংঘটিত কৰা বিয়াগোম দুৰ্নীতি-অনিয়মৰ তদন্ত কৰি অনতিবিলম্বে তিনিমাহৰ ভিতৰত উক্ত পথছোৱা ফ'ৰলেনলৈ উন্নীতকৰণৰ কাম সমাপন কৰিবলৈ দাবী জনায়। ইয়াৰ অন্যথা অনাগত সময়ত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে আৰু অধিক কঠোৰ গণতান্ত্ৰিক প্ৰতিবাদী আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব বুলি সকীয়াই দিয়ে।

# মোদী বিষয়ক তথ্যচিত্ৰঃ শুনানি জানুৱাৰীলৈ স্থগিত সৰ্বোচ্ছ ন্যায়ালয়ৰ

**নতুন দিল্লী, ২১ অক্টোবৰঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক লৈ ব্ৰিটিছ ব্ৰ'ডকাষ্টিং কৰ্প'ৰেশ্যন চমুকৈ বিবিচিয়ে নিৰ্মাণ কৰা তথ্যচিত্ৰক লৈ অব্যাহত আছে দেশত বিতৰ্ক। এই তথ্যচিত্ৰখন বিগত বৰ্ষত ভাৰতত মুক্তি দিয়াৰ পিছতে তথ্যচিত্ৰখনৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছিল মোদী চৰকাৰে। ইয়াৰ পিছতে কেন্দ্ৰৰ এই সিদ্ধান্তক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ৰ কাষ চপা বিবিচিৰ আবেদনৰ শুনানি এতিয়া অহা বছৰৰ জানুৱাৰীলৈকে স্থগিত ৰাখিছে সৰ্বোচ্ছ ন্যায়ালয়ে। উল্লেখ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওপৰত বিবিচিয়ে নিৰ্মাণ কৰা 'ইণ্ডিয়াঃ দ্য মোদী কুৱেশ্যন' শীৰ্ষক তথ্যচিত্ৰখনক 'অপপ্ৰচাৰ' আখ্যা দি ঔপনিৱেশিক মানসিকতাৰে 'উদ্দেশ্যপ্ৰণোদিতভাৱে' প্ৰস্তুত কৰা দাবী কৰিছিল মোদী চৰকাৰে। ইয়াৰ পিছতে তথ্যচিত্ৰখনৰ লিংক ইউটিউব আৰু টুইটাৰকে ধৰি সকলো ছ'চিয়েল মিডিয়াৰ পৰা আঁতৰাবলৈ নিৰ্দেশ দিয়ে কেন্দ্ৰীয় চৰকাৰে। 'ইণ্ডিয়াঃ দ্য মোদী কুৱেশ্যন'ৰ প্ৰচাৰত কেন্দ্ৰই আৰোপ কৰা এই নিষেধাজ্ঞাৰ পিছতে উচ্চতম ন্যায়ালয়ত এখন আবেদন দাখিল কৰি এই নিৰ্দেশৰ প্ৰত্যাহ্বান জনায় বিবিচিয়ে। সোমবাৰে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ সঞ্জয় কুমাৰৰ বিচাৰপীঠে এই গোচৰৰ শুনানি ২০২৫ৰ জানুৱাৰী পৰ্যন্ত স্থগিত ৰাখি কয় যে কেন্দ্ৰীয় চৰকাৰে এই গোচৰত এতিয়াও প্ৰতি-শপতনামা নথিভুক্ত নকৰাৰ বাবেই এই সিদ্ধান্ত লোৱা হৈছে। অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই আদালতত কয় যে অহা দুসপ্তাহৰ ভিতৰত চৰকাৰে কাউণ্টাৰ ফাইল দাখিল কৰিব। উল্লেখ্য যে, 'ইণ্ডিয়াঃ দ্য মোদী কুৱেশ্যন' তথ্যচিত্ৰখন মোদী চৰকাৰে 'অপপ্ৰচাৰ' বা 'উদ্দেশ্যপ্ৰণোদিত' বুলি অভিহিত কৰিলেও এই তথ্যচিত্ৰখন যথেষ্ট গৱেষণাৰ জৰিয়তে নিৰ্মাণ কৰা হৈছে বুলি দাবী কৰি আহিছে বিবিচিয়ে। এতিয়া চূড়ান্ত ৰায়দান কি হয় তাৰ প্ৰতি চকু ৰাখিছে সচেতন মহলে।

# লাডাখৰ নিয়ন্ত্ৰণ ৰেখাত অৱসানৰ দিশে ভাৰত-চীনৰ সংঘাত

**নতুন দিল্লী, ২১ অক্টোবৰঃ** পূব লাডাখৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত অব্যাহত থকা সংঘাতৰ অন্ত পেলাবলৈ 'টহলদাৰী সীমা' নিৰ্ধাৰণৰ ক্ষেত্ৰত এক বুজাবুজি চুক্তিত উপনীত হৈছে ভাৰত আৰু চীন। সোমবাৰে এই কথা ঘোষণা কৰে বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে। তেওঁ কয় যে আলোচনাৰ জৰিয়তে এই বিষয়ত চীনৰ সৈতে ভাৰতে এক চুক্তি সম্পন্ন কৰিছে। উল্লেখ্য যে, অহা ২২-২৪ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া ব্ৰিকছ সন্মিলনত অংশগ্ৰহণৰ বাবে ৰাছিয়ালৈ যাব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। তাৰ পূৰ্বে নতুন দিল্লী আৰু বেইজিঙে লাডাখৰ পৰিস্থিতি সন্দৰ্ভত এক চুক্তিত উপনীত হয়। মন কৰিবলগীয়া যে, ২০২০ চনৰ এপ্ৰিল মাহৰ পৰা চীনা সেনাই পূব লাডাখৰ বিভিন্ন অঞ্চলত এল এ চিৰ ওপৰেৰে অনুপ্ৰৱেশ কৰাৰ অভিযোগ উত্থাপন হৈ আহিছে। উত্তেজনাৰ পৰিৱেশত সেই বছৰৰ ১৫ জুনত গালৱানত চীনৰ আক্ৰমণত ২০ জন ভাৰতীয় জোৱান নিহত হয়। বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ খবৰ অনুসৰি ভাৰতীয় সেনাৰ প্ৰত্যাক্ৰমণত চীনৰো কেইবাজনো জোৱান নিহত হয়। ইফালে গালৱান কাণ্ডৰ পিছৰে পৰা সীমান্তত বৃদ্ধি পোৱা উত্তেজনা লাঘৱ কৰিবলৈ কূটনৈতিক আৰু সামৰিক পৰ্যায়ত ধাৰাবাহিকভাৱে বৈঠক অনুষ্ঠিত হৈ আহিছে। ২০২১ চনৰ জানুৱাৰী মাহত চুছুল-মালডো পইন্টত দুয়োখন দেশৰ সেনাবাহিনীৰ মূল কমাণ্ডাৰ পৰ্যায়ৰ বৈঠকত এল এ চিৰ কিছুমান অঞ্চলত 'ডিচেংগেজমেন্ট' আৰু 'ডি-এস্কেলেচন'ৰ ওপৰত সহমতত উপনীত হয়। কিন্তু পাংগং লেক লেগুন ফিংগাৰ এলেকা, দেপছাং উপত্যকাকে ধৰি বিভিন্ন অঞ্চলৰ সমস্যা সমাধান হোৱা নাই। ইয়াৰ বাহিৰেও অভিযোগ উত্থাপন হৈছিল যে ২০২০ চনৰ এপ্ৰিলৰ পূৰ্বে ভাৰতীয় সেনাই ফিংগাৰ-৮ পৰ্যন্ত টহল দিছিল যদিও নতুন ব্যৱস্থাৰ অধীনত ফিংগাৰ-৫ পাৰ হ'ব পৰা নাছিল। নতুন চুক্তিৰ চৰ্ত সন্দৰ্ভত কোনো সবিশেষ প্ৰকাশ কৰা নাই বৈদেশিক সচিবগৰাকীয়ে। চুক্তিৰ চৰ্ত হিচাপে কোন কোন এলেকাক 'বাফাৰ জ'ন' হিচাপে চিনাক্ত কৰা হৈছে, সেই সন্দৰ্ভতো বিতং তথ্য প্ৰদানৰ পৰা বিৰত থাকে মিশ্ৰী। অৱশ্যে তেওঁ কয়, 'যোৱা কেইসপ্তাহমানৰ পৰা হোৱা আলোচনাৰ ফলস্বৰূপে ভাৰত-চীন সীমান্ত অঞ্চলত এল এ চিৰ কাষত টহল দিয়াৰ ব্যৱস্থা সন্দৰ্ভত এক চুক্তিত উপনীত হৈছে। ২০২০ চনৰ পৰা অঞ্চলটোত যিবোৰ সমস্যাৰ সৃষ্টি হৈছে, সেইবোৰে সমাধান বিচাৰি পাইছে।"

# বেতবাৰীত চোৰৰ উপদ্ৰৱ বৃদ্ধি, ধাননিত সোমাল চুৰি গৰু সৰবৰাহ কৰা বিলাসী বাহন

**ই-সংবাদ, শিৱসাগৰ, ২১ অক্টোবৰঃ** শিৱসাগৰ বেতবাৰী মৌজা, হাঁহচৰা মৌজাত দিনক দিনে বৃদ্ধি পাইছে গৰু চোৰৰ উপদ্ৰৱ।আৰক্ষী, গাওঁৰক্ষী বাহিনীয়ে গঢ়ি তোলা দুৰ্বল নিৰাপত্তা বেষ্টনীৰ বেহু ফালি গাঁৱে গাঁৱে কিদৰে পশুপালকৰ নিদ্ৰা হৰণ কৰিছে আজি সেই ছবি পুনৰ স্পষ্ট হৈ পৰিল। যোৱা নিশা চুৰি গৰু সৰবৰাহ কৰি অনা এখন বিলাসী বাহন বেতবাৰীৰ দ-গাঁৱত ঐতিহাসিক বাঁহগড়ৰ পৰা নিয়ন্ত্ৰণ হেৰুৱাই ধাননি পথাৰলৈ সোমাই যোৱা ঘটনাই পোহৰলৈ আনিছে চোৰাং গৰু সৰবৰাহ চক্ৰৰ কাণ্ড। যোৱা নিশা প্ৰায় ১-৩০ বজাত চেৰেকাপাৰ আৰক্ষী চকীৰ অন্তৰ্গত মাদ্ৰাজ সমীপৰ উত্তম গগৈ নামৰ খেতিয়কজনৰ গোহালিৰ পৰাই গৰু চোৰে পঘাৰ সৈতে এজনী গৰু চুৰি কৰে। গৰু জনী গোহালিৰ পৰা নি এখন বিলাসী নতুন বেলেন' গাড়ীত তুলি থাকোঁতেই গৃহস্থই শোৱাপাটিৰ পৰা উঠি চোৰ চোৰ বুলি চিঞৰ বাখৰ কৰে। গৃহস্থৰ চিঞৰ শুনি চোৰে তৰা-নৰা চিঙি গৰুজনী বেলেন'খনত উঠাই তীব্ৰ বেগেৰে গড়টোৰে বালিবাট চাৰিআলিৰ অভিমুখে লৈ যায় যদিও নিশাই দুৰ্ঘটনাগ্ৰস্ত হয়। গৰু চোৰে এটা কেকুৰিত নিয়ন্ত্ৰণ হেৰুৱাই এএছ০৬ এল ৮২৩০ নম্বৰৰ গাড়ীখন বোকাময় হৈ থকা ধাননি পথাৰলৈ সুমুৱাই দিয়ে। যিহেতু গড়টো যথেষ্ট ওখ আছিলে সেয়ে গাড়ীখন বিধ্বস্ত হৈ পৰে যদিও চোৰকেইটা পলাই পত্ৰং দিয়ে। অৱশ্য গাড়ীখনতে এৰি থৈ যায় চুৰি কৰি নিয়া গৰুজনীৰ লগতে এখন চোকা তৰোৱাল, এখন দাৰ উপৰিও কেতবোৰ বস্ত্ৰ। পুৱাৰ ভাগত প্ৰাত:ভ্ৰমণ কৰিবলৈ অহা লোকে গৰুজনী গাড়ীৰ পৰা উলিয়াই প্ৰাণ ৰক্ষা কৰাৰ লগতে চেৰেকাপাৰ আৰক্ষীক খবৰ দিয়ে। উক্ত সামগ্ৰীসমূহৰ উপৰিও গাড়ীখনৰ ওচৰতে পথাৰৰ বোকাত পেলাই থৈ যায় চোৰে পিন্ধা এযোৰ জোতা। ইপিনে উত্তম গগৈৰ গোহালিৰ গৰু চুৰি কৰি নিয়া বিলাসী গাড়ীখন যে দুৰ্ঘটনাত পতিত হ'ল সেই বিষয়ে অৱগত নাছিল। পিছত একাংশ লোকে খবৰ দিয়াত দুৰ্ঘটনাস্থলীলৈ আহি উদ্ধাৰ হোৱা আঘাতপ্ৰাপ্ত গৰুজনী আৰক্ষীৰ পৰা চমজি লয়। আনহাতে বেলেন' খনত লগাই থোৱা নম্বৰ প্লেট খন ভুৱা হ'ব পাৰে বুলি সন্দেহ প্ৰকাশ কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে বেতবাৰী মৌজাত সঘনাই গৰু, হাঁহ কুকুৰা চুৰি হৈ আছে যদিও এই পৰ্যন্ত চোৰ কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষীয়ে। ইপিনে গাওঁৰক্ষী বাহিনীসমূহেও এইক্ষেত্ৰত দুৰ্বল ভূমিকা লোৱা বুলি অভিযোগ উঠিছে। লক্ষণীয় যে এমাহ আগেয়ে আজি দুৰ্ঘটনাস্থলীৰ পৰা ডেৰ কিলোমিটাৰ নিলগৰ ভাস্কৰ চেতিয়া নামৰ ব্যক্তিজনৰ ঘৰৰ গঁৱালৰ পৰা চোৰে চুৰি কৰি নিছিল ১৯ টা হাঁহ-কুকুৰা। সঘনাই চুৰি কাণ্ড হৈ থকাত উদ্বিগ্ন হৈ পৰিছে জনসাধাৰণ।

# আৰক্ষী জোৱানৰ কাণ্ড! নিশা উত্তপ্ত মৰিগাঁৱৰ মাণিকপুৰ অঞ্চল

**ই-সংবাদ, মৰিগাঁও, ২১অক্টোবৰঃ** মৰিগাঁও জিলাৰ মাণিকপুৰ গাৱঁত আজি নিশাৰ ভাগত এজন আৰক্ষীৰ লোকক স্থানীয় ৰাইজে আৱদ্ধ কৰি ৰখা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, মাণিকপুৰ গাঁৱত উচ্ছাৰ আলি নামৰ এজন আৰক্ষী জোৱানৰ বিৰুদ্ধে স্থানীয় ৰাইজে অবৈধ অভিসাৰৰ অভিযোগ তুলি আৱদ্ধ কৰি ৰাখিছে। ইফালে এই ঘটনাৰ খবৰ পাই মৰিগাঁও সদৰ থানাৰ এটি আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ ৰাইজে আৱদ্ধ কৰি ৰখা আৰক্ষীৰ লোকজনক উদ্ধাৰৰ চেষ্টা কৰে। কিন্তু একাংশ লোকে আৰক্ষীক এই কাৰ্যত বাধা দি আৰক্ষীকো আক্ৰমণ কৰিবলৈ উদ্যত হোৱাত বাতৰি লিখা পৰ্যন্ত অঞ্চলটোত এক উত্তপ্ত পৰিস্থিতি বৰ্তি আছে। আৰক্ষী লোকজনে দীৰ্ঘদিন ধৰি এনে কৰি অহাৰ অভিযোগ উঠিছে।




**ভুৰবন্ধা শিক্ষা খণ্ডৰ উদ্যোগত বিদ্যালয় বৰ্হিভূত শিশুৰ বিদ্যালয়মূখী কৰণ বিষয়ক সজাগতা সভা**

# হাজোত খিলঞ্জীয়াৰ কৃষিভূমি সুৰক্ষাৰ দাবীত প্ৰতিবাদ

**ই-সংবাদ, হাজো, ২১ অক্টোবৰঃ** হাজো ৰাজহ চক্ৰৰ পশ্চিমবংশৰ মৌজাৰ অন্তৰ্গত দোকনীয়া, গাওঁবুঢ়া পাম, টাঙোনমাৰী আদি ঠাইত খিলঞ্জীয়া কৃষকে কৃষিৰ জৰিয়তেই নিজৰ পৰিয়াল পোহপাল দি আহিছে। কিন্তু বিগত দুই তিনি বছৰত একাংশ লোকৰ অবৈধ আগ্ৰাসনত শংকিত হৈ পৰিছে অঞ্চলটোৰ কৃষকসকল। অখিলঞ্জীয়া লোকে খিলঞ্জীয়া মানুহৰ কৃষি ভূমিসমূহ ভয় ভাবুকিৰে দখল কৰাত খিলঞ্জীয়া লোকসকল প্ৰাণৰ শংকাত কৃষি ভূমি এৰি থৈ আহিবলগীয়াত পৰিছে। খিলঞ্জীয়া লোকসকলৰ কৃষিভূমি অখিলঞ্জীয়া লোকৰ হাতৰ পৰা উদ্ধাৰ কৰি খিলঞ্জীয়া কৃষকক সুৰক্ষা প্ৰদান কৰাৰ দাবীত আজি পশ্চিমবংশৰ আঞ্চলিক ছাত্ৰ সন্থাই টাঙোনমাৰী মথাউৰিত বিক্ষোভ কাৰ্যসূচী ৰূপায়ন কৰে।
প্ৰতিবাদকাৰীসকলে হাতে হাতে প্লে কাৰ্ড লৈ খিলঞ্জীয়া কৃষকক সুৰক্ষা প্ৰদান কৰক, খিলঞ্জীয়া কৃষকৰ কৃষি ভূমি উদ্ধাৰ কৰক, হাজো প্ৰশাসন হুছিয়াৰ, অসম চৰকাৰ হায়ঃ হায়ঃ আদি ধ্বনিৰে পৰিবেশ উত্তাল কৰি তোলে। শতাধিক প্ৰতিবাদকাৰী উপস্থিত থকা কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক পংকজ কলিতাই চৰকাৰে খিলঞ্জীয়া লোকসকলক সুৰক্ষা প্ৰদান কৰা শ্ল'গান এতিয়া ধোঁৱাচাঙত বুলি কৈ অসম চৰকাৰক তীব্ৰ সমোলোচনা কৰে। খিলঞ্জীয়া লোকসকলক সুৰক্ষা প্ৰদানত চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে বুলি উল্লেখ কৰে। হাজো ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ একাংশ মণ্ডলৰ হেমাহিৰ কাৰণে কাৰ্যালয়টোত দিনক দিনে মাটিৰ দালালৰ সংখ্যা বৃদ্ধি হোৱা বুলি উল্লেখ কৰি ফলত দালাল বিলাকৰ জৰিয়তেই মণ্ডলক মেনেজ কৰি লৈ খিলঞ্জীয়া লোকৰ কৃষিভূমি অখিলঞ্জীয়া মানুহৰ নামত নাম জাৰি কৰি দিয়া বুলিও খেদ প্ৰকাশ কৰে। খিলঞ্জীয়া কৃষকৰ ভূমি সুৰক্ষিত কৰাৰ কাৰণে অনতিপলমে পদক্ষেপ গ্ৰহণ কৰা উচিত বুলি মন্তব্য কৰে আছু নেতাগৰাকীয়ে। কাৰ্যসূচীত হাজো ৰাজহ চক্ৰ বিষয়া আফ্ৰিন হুছেইন উপস্থিত হৈ প্ৰতিবাদকাৰীসকলক বিষয়টো গুৰুত্বসহকাৰে লৈ পদক্ষেপ গ্ৰহণ কৰিম বুলি আশ্বাস প্ৰদান কৰে।

## ৮ অক্টোবৰৰ পৰা ১৩টা দিনেই হাস্পতালৰ বিছনাত যুঁজ

# জীৱন নাট সামৰিলে আৰক্ষীৰ বিষয়া অৰ্চনা দেৱীয়ে

**ই-সংবাদ, ২১ অক্টোবৰঃ** কেতিয়াও উভতি নহা বাটেৰে গুছি গ'ল অসম আৰক্ষীৰ উপ-পৰিদৰ্শক অৰ্চনা দেৱী। কুৰিটা দিন চিকিৎসালয়ৰ বিছনাত যুঁজ দি অৱশেষত মৃত্যুৰ ওচৰত হাৰ মানিলে অসম আৰক্ষীৰ মহিলা উপ-পৰিদৰ্শক অৰ্চনা দেৱীয়ে। আজি পুৱাৰভাগত অৰ্চনা দেৱীয়ে মৃত্যুৰ ওচৰত হাৰ মানে। অৰ্চনা দেৱী মহানগৰীৰ ভঙাগড় আৰক্ষী থানাত কৰ্মৰত আছিল। দুৰ্গা পূজাৰ সময়ত ৮ অক্টোবৰৰ নিশা পেট্ৰ'লিঙ কৰিবলৈ গৈছিল সোণাপুৰ এলেকালৈ। আৰক্ষীৰ বাহনত তহল দিয়াৰ সময়তে আৰক্ষীৰ বাহনখনে এখন ৰৈ থকা ট্ৰাকত খুন্দা মাৰিছিল। ফলত আৰক্ষীৰ বাহনখনৰ সন্মুখভাদ চুচুৰ্মৈ হৈ পৰিছিল। গাড়ীৰ সন্মুখভাগত বহি থকা অৰ্চনা দেৱী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। নিশাই অৰ্চনা দেৱীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হৈছিল। **তেতিয়াৰ পৰাই অৰ্চনা দেৱীক** আইচিইউত বিশেষজ্ঞ চিকিৎসকৰ নিৰীক্ষণত ৰখা হৈছিল। চিকিৎসাধীন অৱস্থাতে আজি অৰ্চনা দেৱীৰ প্ৰাণবায়ু উৰি যায়। মহিলা আৰক্ষী বিষয়াগৰাকীৰ মৃত্যুৰ পাছতে অসম আৰক্ষীত শোকৰ ছাঁ পৰে। ভঙাগড় আৰক্ষী থানাত আজি অসম আৰক্ষী আৰু গুৱাহাটী আৰক্ষীৰ কেইবাগৰাকী উচ্চপদস্থ বিষয়াৰ উপস্থিতিত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি গভীৰ সমবেদনা জ্ঞাপন কৰে। অৰ্চনা দেৱী অসম আৰক্ষীৰ ২০২১ বেটচৰ আৰক্ষী উপ-পৰিদৰ্শক আছিল। আনহাতে, ছিপাঝাৰৰ ঘোঁৰাবান্ধা মাজৰচুবাত জীয়ৰী আছিল অৰ্চনা। অৰ্চনাৰ মৃত্যুৰ খবৰ লাভ কৰাৰ পাছতে শোকৰ ছাঁ পৰে ছিপাঝাৰত। অমায়িক, ভদ্ৰ অৰ্চনাই পঢ়াকালৰ পৰাই সমাজৰ সকলো প্ৰকাৰৰ লোকৰ সৈতে মিলি-জুলি আছিল বুলি কৈ ঘোঁৰাবান্ধাৰ বিভিন্নজনে শোক প্ৰকাশ কৰি তেওঁৰ আত্মাৰ সদ্গতি প্ৰকাশ কৰে।



গৌৰৱী পিতৃ! মুখত হাঁহি লৈ পুত্ৰৰ হৈ চামগুৰি উপ নিৰ্বাচনত প্ৰচাৰ পিতৃ ৰকিবুল হুচৈনৰ

# বৰমাত স্মাৰ্ট মিটাৰৰ মাচুল হ্ৰাসৰ দাবীত বিক্ষোভ কাৰ্যসূচী

**ই-সংবাদ, বৰমা ২১ অক্টোবৰ :** বৰমাত চিপিআই এমৰ ভাতৃ সংগঠন  টিহু আঞ্চলিক কৃষক সভা আৰু বাক্সা আঞ্চলিক কৃষক সভা উদ্যোগত বিক্ষোভ কাৰ্যসূচী।স্মাৰ্ট মিটাৰ বাতিল আৰু বিদ্যুত মাচুল হ্ৰাস কৰাৰ দাবীত আজি বৰমাত চিপিআই এমৰ ভাতৃ সংগঠন কৃষক সভা বিক্ষোভ কাৰ্যসূচী ।বিক্ষোভ কাৰ্যসূচীত টিহু আৰু বাক্সাৰ কৃষক সভাৰ কৰ্মী সকল উপস্হিত থাকে। প্ৰতিবাদকাৰী সকলে বিদ্যুত মাচুল হ্ৰাস কৰক স্মাৰ্ট মিটাৰ নেলাগে পুৰণি মিটাৰ লগাওক অসম চৰকাৰ হায় হায় অসম চৰকাৰ গো বেক শ্লগানেৰে পৰিৱেশ উত্তাল কৰে। প্ৰতিবাদকাৰী সকলে বৰমাৰ পৰা বৃহৎত সমদল লৈ নলবাৰী জিলাৰ বৰজাৰস্থিত বৰমা উপ সংমণ্ডলৰ কাৰ্যলয়ত উপস্হিত হয় ৷কাৰ্যলয়ত উপস্হিত হয় বৰমা উপ সংমণ্ডলৰ বিষয়াৰ হাতত স্মাৰক পত্ৰ প্ৰদান কৰে।

## পুঠি-খলিহনা ৰঙাঘৰত, ৰৌ-বৰালি মুকলি আকাশত

# ট্ৰেডিং কেলেংকাৰীৰ তদন্ত স্তব্ধ, চিবিআইৰ তদন্তৰ অপেক্ষা

**ই-সংবাদ, গোলকগঞ্জ, ২১ অক্টোবৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানা এলেকাত অনুজ্ঞাপত্ৰ বিহীন অনলাইন ট্ৰেডিঙৰ নামত কোটি কোটি টকা লুণ্ঠন কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। কোটিটকীয়া কেলেংকাৰীয়ে জোকাৰণি সৃষ্টি কৰিছিল। দীৰ্ঘ সময়ৰ মূৰকত আৰক্ষীয়ে দুই অভিযুক্তক আটক কৰিবলৈ সক্ষম হৈছে। কিন্তু মূল অভিযুক্ত হালাকুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দীনেশ চন্দ্ৰ ৰায়কে ধৰি আন সকলবোৰ আত্মগোপন কৰিছে। ইপিনে ৰহস্যজনকভাৱে আৰক্ষীৰ তদন্ত স্তব্ধ হৈ পৰে। ৰাজ্য চৰকাৰৰ গৃহ বিভাগৰ অনুৰোধ মৰ্মে ১১ অক্টোবৰত অসমৰ ৪১ ট্ৰেডিং প্ৰৱঞ্চনাৰ গোচৰ কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চমুকৈ চিবিআইক প্ৰদান কৰে। এই খবৰে প্ৰৱঞ্চনাৰ বলি ব্যক্তিসকলৰ মাজত আশাৰ সঞ্চাৰ কৰিয়াই আনে। জানিব পৰা মতে, টাইটানছ মাৰ্কেটিং, ইউবিট মাৰকেটছ, ক্ৰাউড ওৱান মাৰ্কেটিং আদি অনলাইন ট্ৰেডিং কোম্পানীৰ নামত এমাহত দুগুণ ধনৰ প্ৰলোভন দি বিভিন্ন জনৰ পৰা ধন সংগ্ৰহ কৰে। ধুবুৰীৰ কুতুব উদ্দিন আহমেদ নামৰ এজন ভুক্তভোগীয়ে ৰূপসী দাওভাংগীৰ শংকৰ কুমাৰ বিশ্বাসৰ বিৰুদ্ধে গোচৰ তৰে। গোচৰৰ ভিত্তিত ধুবুৰী আৰক্ষীয়ে বিশ্বাসক গ্ৰেপ্তাৰ কৰে। বিশ্বাসৰ স্বীকাৰোক্তিৰ ভিত্তিত ৩ ছেপ্টেম্বৰৰ পুৱতি নিশা ধুবুৰী আৰক্ষী আগমনি আৰক্ষীৰ সহযোগত কালডোবা তৃতীয় খণ্ড গাঁৱৰ পৰা ৰফিকুল ইছলামক আটক কৰে। ৫ ছেপ্টেম্বৰৰ নিশা ক্ৰাউড ওৱান নামৰ ট্ৰেডিং কোম্পানীৰ নামত ধন সংগ্ৰহৰ অভিযোগত সোনাখুলি প্ৰথম খণ্ড গাঁৱৰ আনছাৰ আলীক গ্ৰেপ্তাৰ কৰে। আনছাৰক ক্ৰাউড ওৱানৰ এজেণ্ট কৰিছিল হালাকুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দীনেশ চন্দ্ৰ ৰায়ে। আনহাতে সিদিনাই বতুৰাতলি গাঁৱৰ পৰা ইউবিট ট্ৰেডিং ব্যৱসায়ত জড়িতৰ অভিযোগত গোলকগঞ্জ আৰক্ষীয়ে আনোৱাৰ হুছেইনক গ্ৰেপ্তাৰ কৰে। পাগলাহাটৰ আশিষ সৰকাৰ আৰু সাহেবগঞ্জৰ নুৰ মহম্মদে আনোৱাৰক ইউবিটচ মাৰ্কেটিং নামৰ অনলাইন ট্ৰেডিঙৰ এজেণ্ট প্ৰদান কৰা বুলি সংবাদ মাধ্যমত প্ৰকাশ কৰে। মুঠতে পুঠি খলিহনা গ্ৰেপ্তাৰ হয় যদিও আত্মগোপন কৰিবলৈ সক্ষম হয় মূল অভিযুক্ত ৰৌ বৰালী। কিন্তু আশ্চৰ্যজনকভাৱে হঠাতে থমকি যায় অনলাইন ট্ৰেডিঙৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান। যাৰ ফলত লাখ লাখ টকা বিনিয়োগ কৰি একাংশই দুঃচিন্তাত ভোগাৰ বিপৰীতে একাংশই আসন্ন বিপদৰ পৰা ৰক্ষা পৰি এক প্ৰকাৰ স্বস্তিৰ নিশ্বাস লৈছে। কিন্তু চিবিআইক তদন্তৰ ভাৰ অৰ্পণ কৰাত আশাৰ বতৰা পাইছে প্ৰৱঞ্চিত লোক সকল। সেয়ে অতি শীঘ্ৰে চিবিআইক তদন্তৰ দাবী জনাইছে।

# বৰপেটাত নাৰ্ছিং কলেজ উদ্বোধন মন্ত্ৰী কেশৱ মহন্তৰ

**ই-সংবাদ, বৰপেটা, ২১ অক্টোবৰঃ** আজি ৰাজ্য চৰকাৰে বৰপেটাবাসীৰ এক দীৰ্ঘদিনীয়া দাবী পূৰণ কৰে। আজি বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ কেন্সাৰ চেণ্টাৰত মন্ত্ৰী কেশৱ মহন্তই বৰপেটা নাৰ্চিং কলেজ উদ্বোধন কৰে। বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ পাৰ্থ প্ৰতীম বৰুৱা, অধ্যাপক ডঃ ৰমেন তালুকদাৰ, অসম কেন্সাৰ ফাউণ্ডেচনৰ মুখ্য পৰিচালন বিষয়া ডঃ জয় প্ৰকাশ প্ৰসাদ, প্ৰকল্প সঞ্চালক গৌতম চিন্তে, চিকিৎসা শিক্ষা-গৱেষণা বিভাগৰ আয়ুক্ত ডাঃ সিদ্ধাৰ্থ সিং, অতিৰিক্ত জিলা আয়ুক্ত জয়ন্ত বৰা, বৰপেটাৰ প্ৰাক্তন বিধায়ক গুনীন্দ্ৰ দাসৰ উপস্থিতিত নাৰ্চিং কলেজখন মুকলি কৰা হয়। নাৰ্চিং কলেজ মুকলি কৰি ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে এজন চিকিৎসকে হয়তো এজন ৰোগীৰ সৈতে ১০ৰ পৰা ১৫ মিনিট সময় কটাব পাৰিব। নাৰ্চগৰাকীয়েই একমাত্ৰ ব্যক্তি যিয়ে এজন ৰোগীৰ সৈতে ৮ ঘণ্টালৈকে সময় কটাব পাৰে। তেনেকৈ ৰোগীজন আৱেগিক আৰু শাৰীৰিক যত্নৰ বাবে সদায় এগৰাকী নাৰ্চৰ ওপৰত নিৰ্ভৰশীল। চিকিৎসা শিক্ষা-গৱেষণা বিভাগৰ আয়ুক্ত ডাঃ সিদ্ধাৰ্থ সিঙে এনে পাঠ্যক্ৰমে বিশেষ নাৰ্চিং সেৱা প্ৰদানৰ বিশাল ক্ষমতা উৎপন্ন কৰিব বুলি কৈ কয় যে আজিৰ স্বাস্থ্যসেৱাৰ পৰিস্থিতিত ছুপাৰ স্পেচিয়েলিটি নাৰ্চিং পাঠ্যক্ৰম, বিশেষকৈ অংক'লজী নাৰ্চিংৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। বৰপেটা নাৰ্চিং কলেজৰ অধ্যক্ষ মঞ্জুলা হুছেইনে কয় যে আমি এনে



এক পৰিৱেশ গঢ়ি তুলিম যিয়ে নিৰন্তৰ শিক্ষণ, নৈতিক অনুশীলন আৰু পেছাদাৰী বৃদ্ধিক উৎসাহিত কৰিব। আমাৰ ছাত্ৰ-ছাত্ৰীসকলক সমালোচনাত্মকভাৱে চিন্তা কৰিবলৈ, নিৰ্ণায়কভাৱে কাম কৰিবলৈ আৰু গভীৰভাৱে যত্ন ল'বলৈ প্ৰশিক্ষণ দিয়া হ'ব। এই সকলোবোৰ সময়ত ভাষা প্ৰশিক্ষণৰ লগতে নাৰ্চিং প্ৰেকটিছৰ উচ্চতম মানদণ্ড বজাই ৰাখিবলৈ যত্ন কৰা হ'ব। যিয়ে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত প্লেচমেণ্টৰ বাবে বিশ্বব্যাপী চাহিদা বৃদ্ধি পাব। শ্ৰীমন্ত শঙ্কৰদেৱ স্বাস্থ্যবিজ্ঞান বিশ্ববিদ্যালয়ৰ অধীনত পঞ্জীকৃত নাৰ্চিং কলেজখন আধুনিক প্ৰযুক্তিৰে সমৃদ্ধ। আজিৰ পৰা আৰম্ভ হৈছে ২০২৪-২৫ শিক্ষাবৰ্ষৰ বাবে ৩০ জনীয়া প্ৰথমটো বেটচে শিক্ষা আৰম্ভ কৰিব।

# অতিৰিক্ত বোজা কঢ়িওৱা যান-বাহন চলাচল বন্ধ কৰাৰ দাবীত স্মাৰক

**ই-সংবাদ, ডুমডুমা, ২১ অক্টোবৰঃ** অতিৰিক্ত বোজা কঢ়িয়াই অনা যান-বাহনে লোকনিৰ্মাণ বিভাগৰ পথ বিধ্বস্ত কৰাৰ লগতে সঘনাই দুৰ্ঘটনা সংঘটিত হোৱাত সৰৱ হৈ পৰিছে প্ৰকৃতিপ্ৰেমী সংগঠন পৰিৱেশ সুৰক্ষা সমিতি-অসম। বাণিজ্যিক চহৰ তিনিচুকীয়াত অতিৰিক্ত বোজা কঢ়িওৱা যান-বাহন চলাচলৰ ফলত তিনিচুকীয়া চহৰখনত তীব্ৰ যান-জঁটকে ধৰি অন্যান্য সমস্যাৰ সন্মুখীন হয় ৰাইজ। দুৰ্ঘটনা, ৰাস্তা-ঘাটৰ জৰাজীৰ্ণ অৱস্থাৰ মূলতে অতিৰিক্ত বোজা কঢ়িওৱা যান-বাহনসমূহ বুলি কয় সংস্থাটোৱে। চলাচল ৰোধৰ সীমিতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰিৱেশ সুৰক্ষা সমিতিয়ে তিনিচুকীয়া জিলা পৰিবহণ বিষয়াক এখন স্মাৰক পত্ৰও প্ৰদান কৰে। পৰিৱেশ সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় সভাপতি ঋতুৰাজ বৰুৱাই কয় যে অতিৰিক্ত বোজা কঢ়িওৱা বাহনে জোখ-মাপ নিয়ন্ত্ৰণ বিভাগ, আৰক্ষীৰ লগতে জিলা পৰিবহণ বিভাগক বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰিছে নাইবা মেনেজ কৰিছে। এচাম অসাধু ব্যৱসায়ীয়ে তিনিচুকীয়ালৈ অতিৰিক্ত বোজাই কঢ়িওৱা মালবাহী ট্ৰাক, ইটা-চিমেণ্ট পৰিবহণকাৰী বৃহৎ বৃহৎ গাড়ী বিপদজনকভাৱে সৰবৰাহ কৰি অহা বুলি কৈ এইক্ষেত্ৰত সমিতিয়ে সময়ে-সময়ে বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰি অহাৰ পিছতো কোনো পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই বুলি উল্লেখ কৰি এনে অতিৰিক্ত মালবাহী ট্ৰাক-গাড়ীয়ে ৰাজহুৱা ৰাস্তা-ঘাটৰ বিস্তৰ ক্ষতি কৰাৰ উপৰিও যিকোনো মুহূৰ্তত দুৰ্ঘটনা ঘটোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে বুলিও উল্লেখ কৰে। সমিতিয়ে এইক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষ বিশেষকৈ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ে চকু মুদা কুলিৰ ভাও জুৰি থকা বুলি কৈ বিভাগটোৱে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ নকৰিলে সমিতিয়ে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলিও হুংকাৰ প্ৰদান কৰে।




বৰমাত স্মাৰ্ট মিটাৰ বাতিল বিদ্যুত মাচুল হ্ৰাস কৰাৰ দাবীত বিক্ষোভ কাৰ্যসূচী

## একশৰণ মহাপুৰুষীয়া ভাগৱতী সমাজৰ উদ্যোগত চলিছে ব্যাপক প্ৰস্তুতি

# চেলেংহাটত ৫৭৬ সংখ্যক গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ

**ই-সংবাদ, মৰিয়নি, ২১ অক্টোবৰঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰচাৰিত একশৰণ নামধৰ্মৰ আদৰ্শৰ অন্যতম ধৰ্মীয় অনুষ্ঠান একশৰণ মহাপুৰুষীয়া ভাগৱতী সমাজৰ পূব যোৰহাট আঞ্চলিক সমিতিৰ সৌজন্যত যোৰহাট জিলাৰ চেলেংহাটৰ ১০ নং বেলতল জাপিসজীয়া গাঁও প্ৰাথমিক শাখাৰ আতিথ্যত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হয়। শনিবাৰৰ পৰা আৰম্ভ হোৱা প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি পুৰা পৰিবেশ নিকাকৰণ, গছপুলি ৰোপণ আৰু ভক্তি প্ৰদীপ প্ৰজ্বলন কৰা হয়। বেলতল জাপিসজীয়া প্ৰাথমিক শাখাৰ বয়োজেষ্ঠ ব্যক্তিসকলক সম্বৰ্ধনা জনোৱা হয় আৰু হেমলাই প্ৰাথমিক শাখাৰ নামাচাৰ্য হিৰেন গগৈৰ পৰিচালনাত নাম প্ৰসংগ অনুষ্ঠিত হয়। গাভৰু কোঁৱৰ গাঁও প্ৰাথমিক শাখাৰ অৱসৰপ্ৰাপ্ত শিক্ষক পৰাগ গগৈয়ে প্ৰতিযোগিতাৰ উদ্বোধন কৰাৰ লগে লগে পৰ্যায়ক্ৰমে চিত্ৰাংকন, কবিতা আবৃত্তি, আৰু মহিলাৰ দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতা সমিতিয়ে ঘোষণা কৰা অনুসৰি চিত্ৰাংকন প্ৰতিযোগিতাৰ নিম্ন শাখাত মডেল ইংৰাজী এছএছ স্কুলৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ দহোতীয়া গাঁৱৰ ঈশান্ত গগৈয়ে প্ৰথম, ৪২৯নং শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱ প্ৰাথমিক বিদ্যালয়ৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ গাভৰু কোঁৱৰ গাঁৱৰ যশধ্যান শইকীয়াই দ্বিতীয়, টিয়ক জাতীয় বিদ্যালয়ৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ দোপদৰ অভয়াপুৰীয়া গাঁৱৰ ভাৰ্গৱ গগৈয়ে তৃতীয় আৰু নৱ বিকাশ বিদ্যাপীঠৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰী হেমলাইৰ সুৰ্দশনা বৰুৱাই নিচুকনী পুৰস্কাৰ লাভ কৰে। চিত্ৰাংকন প্ৰতিযোগিতাৰ উচ্চ শাখাত আমগুৰি জাতীয় বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী হাতীমূৰীয়া গাঁৱৰ অনন্যা নেওঁগে প্ৰথম, দনীকনা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ ফুকন হাবি গাঁৱৰ শশাংক কৌশিক বৰাই দ্বিতীয়, জ্যোতি বিদ্যাপীঠ টিয়কৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী টীয়ক চাওদাং গাঁৱৰ উপাসনা দত্তই তৃতীয় আৰু হ'লী ফ্লাৱাৰ এছ এছ স্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ টীয়ক মুদৈজানৰ গৌৰৱ বাঢ়ৈয়ে নিচুকনী পুৰস্কাৰ লাভ কৰে। কবিতা আবৃত্তিৰ নিম্নশাখাত দীপ্যমান গগৈয়ে প্ৰথম, দৰ্পনা কাকতিয়ে দ্বিতীয়, ঈশান গগৈয়ে তৃতীয় আৰু প্ৰাৰ্থৱ গগৈ তথা আৰনা গগৈয়ে যুটিয়াভাৱে উদগনি মূলক বঁটা লাভ কৰে। কবিতা আবৃত্তিৰ উচ্চশাখাত বেদাংগ কৌশিকে প্ৰথম, আকাংক্ষা বৰাই দ্বিতীয়, আৱিষ্কৃতা পটংগীয়াই তৃতীয় পুৰস্কাৰ লাভ কৰে। মহিলা দিহানাম প্ৰতিযোগিতাত হৰিপ্ৰিয়া দিহানাম দলে প্ৰথম, নূপুৰ দিহানাম দলে দ্বিতীয়, মণিকাঞ্চন দিহানাম দলে তৃতীয় আৰু ৰাধাকৃষ্ণ দিহানাম দলে উদগনি মূলক বঁটা পাবলৈ সক্ষম হয়। বিচাৰকৰ বিশেষ বঁটা নামতিত চাৰিং বাৰুৱতী গুদাবৰী দিহানাম দলে, খোলবাদনত খনামুখ দিহানাম দলে আৰু নাগাৰাবাদত উদগণি মূলক বঁটা লাভ কৰে ৰাধাকৃষ্ণ দিহানাম দলে। সেইদৰে দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি পুৱা একশৰণ মহাপুৰুষীয়া ভাগৱতী সমাজৰ পূব যোৰহাট আঞ্চলিক সমিতিৰ সভাপতি মুকুট ফুকনে ধৰ্মধ্বজা উত্তোলন কৰে। প্ৰায় সহস্ৰাধিক ভকতৰ সমাগমেৰে ভাগৱত ভ্ৰমণ কৰা হয়। পুৱা দহ বজাত গাভৰু কোঁৱৰ গাঁও প্ৰাথমিক শাখাৰ নামাচাৰ্য হিৰেন গগৈৰ পৰিচালনাত নাম প্ৰসংগ অনুষ্ঠিত হয়। একশৰণ মহাপুৰুষীয়া ভাগৱতী সমাজৰ উপদেষ্টা পূৰ্ণানন্দ গগৈৰ সঞ্চালনাত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান মুকলি কৰা হয়। একশৰণ মহাপুৰুষীয়া ভাগৱতী সমাজৰ কেন্দ্ৰীয় সভাপতি ইন্দ্ৰেশ্বৰ গগৈয়ে অনুষ্ঠানৰ শুভ উদ্বোধন কৰে। ভাগৱত ব্যাখ্যাকাৰ হিচাপে উপস্থিত থাকে চেলেং শিমলু গাঁও প্ৰাথমিক শাখাৰ প্ৰদীপ গগৈ আৰু গাভৰু কোঁৱৰ গাঁও প্ৰাথমিক শাখাৰ সৰল জ্যোতি গগৈ। ৰাতিলৈ শ্ৰীমন্ত জ্যোতি যুৱমঞ্চৰ দ্বাৰা "দধীচি মুনিৰ অস্থিদান, বৃত্ৰাসুৰ বধ ভাওনা" প্ৰদৰ্শন কৰা হয়।

# জবকাত পথ দুৰ্ঘটনা, নিহত ১

**ই-সংবাদ, সোণাৰি, ২১ অক্টোবৰঃ** সোণাৰিৰ জবকাত আজি সন্ধিয়া এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। কেঁচা চাহপাত কঢ়িওৱা বলেৰ' পিকআপ বাহন এখন দুৰ্ঘটনাত পতিত হোৱাৰ ফলত চুটু ভুমিজ নামৰ মহিলা এগৰাকী নিহত হোৱাৰ লগতে গুৰুতৰভাৱে আহত হয় পোন্ধৰগৰাকীৰো অধিক মহিলা। তথ্য অনুসৰি সোণাৰি দিশৰপৰা খামলুঙলৈ কেঁচা চাহপাতসহ ২০ গৰাকী মহিলা শ্ৰমিক কঢ়িয়াই নিছিল বাহনখনে। তীব্ৰ বেগী বাহনখনৰ চালকে নিয়ন্ত্ৰণ হেৰুৱাই উচ্চ ক্ষমতা সম্পন্ন বিদ্যুৎ পৰিবাহী খুঁটাত খুন্দিওৱাৰ ফলত পথৰ ওপৰত ভাগি পৰে বিদ্যুতৰ খুঁটা। পথৰ দাঁতিত থকা বিদ্যুতৰ খুঁটা ভাগি পৰাত অসম-নগালেণ্ড সংযোগী নামতোলা পথতে আবদ্ধ হয় শ শ বাহন। আনহাতে দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতেই সোণাৰি আৰু নামতোলা আৰক্ষী ঘটনা স্থলীত উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত মহিলাসকলক প্ৰেৰণ কৰিছে চিকিৎসালয়লৈ।

# ৱাৰ্ড একত্ৰীকৰণ, ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ বিশ্ৰামপুৰৰ

**ই-সংবাদ, ডুমডুমা, ২১ অক্টোবৰঃ** তিনিচুকীয়া জিলাৰ ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত কৈলাসপুৰ পঞ্চায়তৰ ১ আৰু ৩ নং ৱাৰ্ড দুটাক একত্ৰীকৰণ কৰাত উত্তৰ বিশ্ৰামপুৰ আৰু দক্ষিণ বিশ্ৰামপুৰ গাঁৱৰ ৰাইজ জাঙুৰ খাই উঠিছে। গাঁও দুখনৰ প্ৰায় কেইবা শতাধিক ৰাইজে আজি কাকপথাৰ-অৰুণাচল সংযোগী ১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডিৰাক গেট অৱৰোধ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। চৰকাৰে নতুনকৈ পঞ্চায়তৰ সীমা নিৰ্ধাৰণৰ পাছত তিনিচুকীয়া জিলা প্ৰশাসনে উত্তৰ বিশ্ৰামপুৰ আৰু দক্ষিণ বিশ্ৰামপুৰ গাঁৱৰ দুটা ৱাৰ্ড এটা ৱাৰ্ড কৰাত ৰাইজ ক্ষোভিত হৈ পৰাই নহয়, বিজেপি বিধায়ক সুৰেন ফুকনে একপ্ৰকাৰ জাতিগত ৰাজনীতি কৰা বুলি অভিযোগ তোলে। প্ৰতিবাদী ৰাইজে বেনাৰ, প্লে-কাৰ্ডলৈ বিভিন্ন প্ৰতিবাদী শ্ল'গানেৰে কেইবাঘণ্টা ধৰি ঘাইপথটো অৱৰোধ কৰি ৰাখে। প্ৰতিবাদকাৰী



ৰাইজে সুৰেন ফুকন হুছিয়াৰ, বিজেপি হুছিয়াৰ, জিলা পৰিষদ হুছিয়াৰ, জিলা আয়ুক্ত হায়ঃ হায়ঃ, আমাৰ ৱাৰ্ড লাগিবই, আমাৰ ৱাৰ্ড সুকীয়া-সুকীয়াকৈ লাগিবই, ৱাৰ্ডসমূহ বিলুপ্তিকৰণ বন্ধ কৰক, আদিবাসীৰ ওপৰত বিজেপিৰ ঘৃণনীয় ৰাজনীতি বন্ধ কৰক, নিজৰ ৰাজনৈতিক স্বাৰ্থ পূৰণ কৰিবলৈ আদিবাসী ৱাৰ্ড বিলুপ্তকৰণ নচলিব, সুৰেন ফুকনৰ জাতিগত ৰাজনীতি বন্ধ কৰক আদি বিভিন্ন শ্ল'গানেৰে প্ৰতিবাদ সাব্যস্ত কৰে।

# নগাঁৱত অভিনৱ চিন্তাৰে 'গজল সন্ধ্যা সুমধুৰ সংগীতৰ মায়াজালে মুহিলে শ্ৰোতাক

**ই-সংবাদ, বেবেজীয়া, ২১ অক্টোবৰঃ** অতীজৰে পৰা সাংস্কৃতিক ক্ষেত্ৰখনত সংগীতে এক বিশেষ স্থান অধিকাৰ কৰি আছে । অৱশ্যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে বৰ্তমান সংগীত ক্ষেত্ৰখনলৈও বহুখিনি পৰিৱৰ্তন আহি পৰিছে । পিছে সংগীতৰ ক্ষেত্ৰখনত যিমানেই পৰিবৰ্তন নাহক লাগে 'গজল'ৰ এক সুকীয়া মাদকতা আছে । ইয়াৰ মধুৰ সুৰ আৰু কথাই প্ৰতিজন সংগীতপ্ৰেমীক অনন্য সোৱাদ দিবলৈ সক্ষম হয় । কিন্তু বৰ্তমান সময়ত এই গজলৰ চৰ্চা কম পৰিমাণেহে হোৱা দেখা যায় । সেয়ে নৱ প্ৰজন্মৰ মাজত গজলৰ প্ৰসাৰৰ লগতে ইয়াৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লক্ষ্যৰে দেওঁবাৰে নগাঁও ছোৱালী মহাবিদ্যালয়ত সোণাইপৰীয়া শাখা কবি সন্মিলন আৰু সোণাইপৰীয়া শিল্পী মঞ্চৰ যৌথ উদ্যোগত এটি "গজল সন্ধ্যা" অনুষ্ঠিত কৰা হয় । নগাঁও ছোৱালী মহাবিদ্যালয়, সুনীল শইকীয়া সংগীত মহাবিদ্যালয় আৰু ষ্টাৰলেব ডায়েগ্ন'ষ্টিকৰ সক্ৰিয় সহযোগিতাত আয়োজিত এই "গজল সন্ধ্যা"ই নগাঁও ছোৱালী কলেজৰ ৰংগম প্ৰেক্ষাগৃহত সংগীতৰ মায়াজালৰ সৃষ্টি কৰে । এক অভিনৱ চিন্তা আৰু পৰিকল্পনাৰে আয়োজন কৰা এই "গজল সন্ধ্যা'ৰ প্ৰাকক্ষণত এগচিকৈ বন্তি প্ৰজ্বলন কৰে প্ৰখ্যাত গজলকাৰ আৰিফুল হক, কণ্ঠশিল্পী সোৱাগমণি মহন্ত, সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰদীপ শইকীয়া, বাঁহীবাদক দীপক শৰ্মা আৰু শশীকান্ত নাথে । আৰিফুল হকৰ দুটি গজলেৰে আনুষ্ঠানিকভাবে অনুষ্ঠানৰ শুভাৰম্ভ কৰাৰ পিছতে সংস্কৃত শিল্পী ৰঞ্জন বেজবৰুৱাই সংস্কৃত আৰু উৰ্দু ভাষাত গজল পৰিৱেশনেৰে সকলোকে মুগ্ধ কৰে । ইয়াৰ পিছতেই অসমৰ উদীয়মান কবি তথা শ্যায়ৰ সঞ্জীৱ সাগৰ চৌধুৰীৰ উৰ্দু আৰু অসমীয়াত ৰচিত ১৪ টি গজল আৰু নজম কণ্ঠশিল্পী তৰুণ শইকীয়া, জিতু শ্ৰাৱণ, কানু কন্দলী, কুমাৰ কিশোৰ, কল্পিতা দেৱী, স্বপ্নালী কলিতা, নিলোৎপল গায়ন, নিপু মেধি আৰু নিভাৰাণী বৰাই পৰিবেশনৰ দ্বাৰা উপস্থিত শ্ৰোতা দৰ্শকক মোহাচ্ছন্ন কৰি তোলে । তদুপৰি প্ৰাঞ্জল বৰা, মুকুল বৰা, অভিষেক ধৰ, অতুল মহন্ত, দুলু বৰা, ৰক্তিম লহকৰ, বাবুল বৰাৰ দৰে নিপুন বাদ্যশিল্পীয়ে বাদ্য সংগত কৰি অনুষ্ঠানটোক এক সুকীয়া মাত্ৰা প্ৰদান কৰে । মনোগ্ৰাহী এই অনুষ্ঠানত নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ কুলেন দাস, গল্পকাৰ শিৱানন্দ কাকতি, লেখক পুনিৰাম শইকীয়া, সাংবাদিক অজয় মাহাতো, চিকিৎসক, কবি আৰু গল্পকাৰ ডাঃ গিৰীন্দ্ৰ নাথ, কবি উৎপল বনীয়া, মদাৰজ্যোতি, মৃদুল চহৰীয়া, পৱন শৰ্মা, ভৰেন চন্দ্ৰ নাথ, নগাঁও জিলা কবি সন্মিলনৰ প্ৰাক্তন সভাপতি দ্বিজেন্দ্ৰনাথ হাজৰিকা, বৰ্তমানৰ সভাপতি দুৰ্গেশ্বৰ বৰকটকী, কবি আবুল হাচান আল কামান, অনুৰুদ্ধ ডেকা, লেখিকা কৰবী লিগিৰা, মিনতি দেৱী কাকতি, কৰবী শইকীয়া, দক্ষিণা দেৱী গজুৰেল, সমীৰ হাজৰিকা, কুমাৰ বিভুতিকে ধৰি দুই শতাধিক লোক উপস্থিত থাকে । অন্যতম উদ্যোক্তা সঞ্জীৱ সাগৰ চৌধুৰীৰ শলাগৰ শৰাইৰ দ্বাৰা অনুষ্ঠানটিৰ সামৰণি পেলোৱা হয় ।

## গায়ন-বায়ন, আয়তীৰ উৰুলীত প্ৰচাৰ পত্ৰিকা উন্মোচন

# লেহুগাঁও সাৰ্বজনীন ৰাস মহোৎসৱৰ লাইখুঁটা স্থাপন



**ই-সংবাদ, বিশ্বনাথ, ২১ অক্টোবৰঃ** গায়ন-বায়ন, আয়তীৰ উৰুলী আৰু ভকত বৈষ্ণৱৰ হৰিধ্বনিত আজি বিশ্বনাথৰ বৰ্হমথুৰি বাকৰিত লেহুগাও সাৰ্বজনীন ৰাস মহোৎসৱৰ লাইখুঁটা স্থাপন কৰা হয়। ২৩ সংখ্যক ৰাস মহোৎসৱৰ লাইখুঁটা স্থাপন কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি দীপক হাজৰিকাই। বিশ্বনাথৰ সাংস্কৃতিৰ মেটমৰা সম্ভাৰক ৰাষ্ট্ৰীয় স্তৰত প্ৰতিষ্ঠাৰ লক্ষ্যৰে বিশ্বনাথৰ গৰিমা আৰু স্বকীয় বৈশিষ্ট অক্ষুন্ন ৰাখি মেলামুখী পৰিৱেশৰ বিপৰিতে সম্পূৰ্ণ আধ্যাত্মিক পৰিৱেশত মহা পয়োভৰৰে ৰাস মহোৎসৱ উদযাপিত হ'ব বুলি উল্লেখ কৰে দীপক হাজৰিকাই। অহা ১৪, ১৫ আৰু ১৬ নৱেম্বৰত ব্যয়বহুল ব্যৱস্থাপনা আৰু পৰিকল্পিত প্ৰয়োজনাৰে অনুষ্ঠিত হ'বলগীয়া ৰাস মহোৎসৱৰ লাইখুঁটা স্থাপন অনুষ্ঠানৰ লগতে এইবেলিৰ ৰাস মহোৎসৱৰ প্ৰচাৰ পত্ৰিকা উন্মোচন কৰে চাইনিং গ্ৰীণ আছিয়ানা ৱেলফেয়াৰ ফাউণ্ডেশ্যনৰ সঞ্চালিকা স্নিগ্ধাজ্যোতি গোস্বামীয়ে। ৰাস মহোৎসৱৰ সফলতা কামনা কৰাৰ লগতে ৰাজ্যৰ ভিতৰতে এক সুকীয়া পৰিচয় বহন কৰা বৃহত্তৰ লেহুগাঁও ৰাস মহোৎসৱে বিশ্বনাথৰ পৰ্যটন ক্ষেত্ৰলৈ আশাৰ বতৰা কঢ়িয়াই অনাৰ লগতে মহাপুৰুষ গুৰুজনাৰ সৃষ্টিৰাজিক ৰাষ্ট্ৰীয় স্তৰত প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈছে বুলি উল্লেখ কৰে স্নিগ্ধাজ্যোতি গোস্বামীয়ে। ৰাস মহোৎসৱৰ সফলতা কামনা কৰাৰ লগতে ৰাজ্যৰ ভিতৰতে এক সুকীয়া পৰিচয় বহন কৰা বৃহত্তৰ লেহুগাঁও ৰাস মহোৎসৱে বিশ্বনাথৰ পৰ্যটন ক্ষেত্ৰলৈ অগ্ৰণী ভূমিকা লৈছে বুলি উল্লেখ কৰে স্নিগ্ধাজ্যোতি গোস্বামীয়ে।

# বটদ্ৰৱা শলগুৰি সত্ৰৰ ভূৱনেশ্বৰী মহন্তৰ পৰলোক

**বেবেজীয়া, ২১ অক্টোবৰঃ** নগাঁও জিলাৰ বটদ্ৰৱাৰ শলগুৰি সত্ৰৰ নিবাসী বিশিষ্ট বৈষ্ণৱ পণ্ডিত, সৰ্ববৰহী ধৰ্মপ্ৰাণা মহিলা তথা শলগুৰি সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ সোমেশ্বৰ দেৱ মহন্তৰ পত্নী ভূৱনেশ্বৰী মহন্তৰ দেওঁবাৰে পৰলোকপ্ৰাপ্তি ঘটে । শতায়ু গৰকিবলৈ মাত্ৰ এমাহ থকা অৱস্থাত ইহলীলা সম্বৰণ কৰা আইগৰাকী বৃহত্তৰ বটদ্ৰৱা অঞ্চলৰ সকলোতকৈ বয়োজেষ্ঠ ব্যক্তি আছিল । কীৰ্তন, দশম, বৰগীত আদি সকলো মুখস্থ থকা আইমাতৃ গৰাকীয়ে বহু লোকক গুৰুজনাৰ বৈষ্ণৱ সংস্কৃতিৰ জ্ঞানৰ শিক্ষা দি আহিছিল । আনকি তেওঁ ধৰ্মীয় প্ৰায়খিনি পুথি-পাজি অধ্যয়ণ কৰি তাৰ সাৰ-তত্ব সুন্দৰভাবে ব্যাখ্যা কৰাত অতিকে পাৰ্গত আছিল । বটদ্ৰৱা থানৰ পৰম্পৰাগত চৈধ্য প্ৰসংগৰ লগতে সকলো নাম-কীৰ্তনত সম্পূৰ্ণ সহযোগিতা আগবঢ়াই অহা আইগৰাকীৰ নম্ৰ ব্যৱহাৰৰ বাবে তেওঁ সকলোৰে অতি প্ৰিয়ভাজন আছিল ।

# সোণাৰিৰ জবকাত ভয়ংকৰ পথ দুৰ্ঘটনাত এজন নিহত, আহত একাধিক

**ই-সংবাদ, সোণাৰি, ২১ অক্টোবৰঃ** সোণাৰিৰ জবকাত আজি সন্ধিয়া এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। কেঁচা চাহপাত কঢ়িওৱা বলেৰ' পিকআপ বাহন এখন দুৰ্ঘটনাত পতিত হোৱাৰ ফলত চুটু ভুমিজ নামৰ মহিলা এগৰাকী নিহত হোৱাৰ লগতে গুৰুতৰভাৱে আহত হয় পোন্ধৰগৰাকীৰো অধিক মহিলা। তথ্য অনুসৰি সোণাৰি দিশৰপৰা খামলুঙলৈ কেঁচা চাহপাত সহ ২০ গৰাকী মহিলা শ্ৰমিক কঢ়িয়াই নিছিল বাহনখনে। তীব্ৰ বেগী বাহনখনৰ চালকে নিয়ন্ত্ৰণ হেৰুৱাই উচ্চ ক্ষমতা সম্পন্ন বিদ্যুৎ পৰিবাহী খুঁটাত খুন্দিওৱাৰ ফলত পথৰ ওপৰত ভাগি পৰে বিদ্যুতৰ খুঁটা। পথৰ দাঁতিত থকা বিদ্যুতৰ খুঁটা ভাগি পৰাত অসম-নগালেণ্ড সংযোগী নামতোলা পথতে আবদ্ধ হয় শ শ বাহন। আনহাতে দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতেই সোণাৰি আৰু নামতোলা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত মহিলা সকলক চৰাইদেউ জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। আঘাতপ্ৰাপ্ত কেইবাগৰাকীও মহিলাৰ অৱস্থা সংকটজনক।



# আমগুৰি অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী নিজামউদ্দিন আলীৰ পৰলোকপ্ৰাপ্তি

**ই-সংবাদ, আমগুৰি, ২১ অক্টোবৰঃ** বিশিষ্ট সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি আলহাজ নিজামউদ্দিন (লাইট) আলী (৮৫)ৰ আজি সন্ধিয়া শিৱসাগৰ জিলাৰ নামতি চাৰিআলিৰ মৰিনামদাং গাঁৱৰ নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। নিকা ভাবাপন্ন অমায়িক স্বভাৱৰ ব্যক্তিজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে অগণন গুণমুগ্ধ তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ একালৰ এগৰাকী অসম গণ পৰিষদ দলৰ নিষ্ঠাবান কৰ্মী আছিল। উল্লেখ্য যে, ১৯৭৩ চনতে স্থাপিত হোৱা মৰিনামদাং প্ৰাথমিক বিদ্যালয়লৈ ভূমি দান আলহাজ নিজামউদ্দিন আলীয়ে শাৰীৰ সুস্থ অৱস্থাত থকালৈকে বহু দৰিদ্ৰ পৰিয়ালক সহায়ৰ হাত আগবঢ়াইছিল। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ-বোৱাৰী, নাতি-নাতিনীৰ লগতে বহু আত্মীয়ক ইহ-সংসাৰত এৰি থৈ গৈছে। ইফালে, আলহাজ নিজামউদ্দিন আলীৰ মৃত্যুত মৰিনামদাং প্ৰাথমিক বিদ্যালয়, মৰিনাদাং মছজিদ পৰিচালনা সমিতি, ইমদাদিয়া যুৱ সমাজ, নামতি প্ৰেছ ক্লাব, নামতি আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলন, নামতি চাৰি আলি সন্মিলিত মছলিম যুৱ সমাজ, নামতি চাৰি আলি মেট্ৰ ক্লাব, সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থা, আটাছুৰ বৰুৱা পুখুৰী আঞ্চলিক সমিতিৰ লগতে বহুতো দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

# বেতবাৰীত মুকলি সমৰকলা প্ৰতিযোগিতা সম্পন্ন

**ই-সংবাদ, শিৱসাগৰ, ২১ অক্টোবৰঃ** বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত দুদিনীয়া কাৰ্যসূচীৰে সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা মুকলি সমৰ কলা প্ৰতিযোগিতাখনৰ যোৱা নিশা সফল সমাপ্তি হয়। বিভিন্ন ওজন তথা কেইবাটাও শাখাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনিত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ৮০ গৰাকীৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখনৰ বিভিন্ন শাখাত সোণৰ পদক অৰ্জন কৰে ক্ৰমে মনোজ গোৱালা, ডেনিয়েল দাস, আফিফ খান, অবিনাশ নেওগ, চিন্ত দত্ত, অনুপ কুমাৰ প্ৰসাদ, জোনাক প্ৰিয়ম সন্দিকৈ, একলব্য হাজৰিকা, দীক্ষিত গগৈ, দীপাংকৰ ফুকন, হেমাঙ্গ কোঁৱৰ, কবিৰ তাঁচা, গৌৰাঙ্গজ্যোতি বৰুৱা, বিকাশ তাঁতী, অভিনৱ নেওগ, ভাস্কৰ তাঁতী, ডেভিদ জানি, নিয়ৰ গগৈ, আইমিং অনুস্কা কোঁৱৰ, স্বস্তিৰাণী বৰপাত্ৰগোঁহাই, আৰোহী ৰায়, প্ৰীতি দাস, তুলিকা চেতিয়া, পূজা ৰায়, প্ৰাৰ্থনা গগৈ, আলিশা খান আৰু বিদিশা দিহিঙীয়াই। ৰূপৰ পদক লাভ কৰে ক্ৰমে ৰিদিপ গগৈ, আয়ুস থাপা, পংকজ দত্ত, প'ল দত্ত, চাহিল আলি, উত্তৰণ চুতীয়া, চোহেইল আখতাৰ ৰহমান, প্ৰদীপ্ত গগৈ, আতিম মাহালি, আৰয়ান ফুকন, ঋষিকেশ বৰুৱা, জয়া কেওঁট, প্ৰাপ্তি ভদ্ৰা, নন্দিনী গগৈ, মুৰ্চনা গগৈয়ে। ব্ৰঞ্জৰ পদক ক্ৰমে বিবেক বৰুৱা, ৰাজদ্বীপ চেতিয়া, ময়ুৰেশ দুৱৰী, অভিজ্ঞান দত্ত, প্ৰিয়া দাস, সুস্মিতা আগ্ৰাহিয়ে লাভ কৰে। বিভিন্ন শাখাত শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ অৰ্জন কৰা খেলুৱৈসকল হ'ল ডেভিদ জানি, একলব্য হাজৰিকা, আফিফ খান, অভিনৱ নেওগ, তুলিকা চেতিয়া আৰু আৰোহী ৰায়ে। মুখ্য বিচাৰক হিচাপে উপস্থিত থাকে গিৰিন্দ্ৰ দত্ত। ইয়াৰ উপৰিও সহযোগী বিচাৰক হিচাপে থাকে নৃপেন বৰা, দিগন্ত দত্ত, মানস দত্ত, তাপস ফুকন, আবিদুল খান, হাদিউৰ ৰহমান, ৰিন্টু নেওগসহ কেইবাগৰাকী অভিজ্ঞ সমৰকলাবিদ। বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখিয়েই অনুষ্ঠিত কৰা হয় এই প্ৰতিযোগিতাখন। অহা ১৩, ১৪ আৰু ১৫ ডিচেম্বৰত অনুষ্ঠিত হ'ব বিদ্যালয়খনৰ মহাৰজত বৰ্ষৰ সামৰণি অনুষ্ঠান।



# শেষ পৃষ্ঠা

## ছৰফৰাজ, পণ্টক প্ৰশংসা ৰোহিতৰ

**বাংগালুৰু, ২১ অক্টোবৰঃ** বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত ভাৰত-নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত প্ৰথমখন টেষ্টত ভাৰতে ৮ উইকেটত পৰাজয়বৰণ কৰে। ঘৰৰ মাটিতে সুদীৰ্ঘ ৩৬ বছৰৰ পিছত টেষ্ট ক্ৰিকেটত পৰাজয়বৰণ কৰা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে টীম ইণ্ডিয়াৰ অধিনায়ক ৰোহিত শৰ্মাই। অধিনায়কগৰাকীয়ে সদৰী কৰা অনুসৰি, ভাৰতে প্ৰথম ইনিংছত ৪৬ ৰানত অলআউট হোৱাটো আছিল দলটোৰ বাবে আটাইতকৈ ডাঙৰ সমস্যা। অৱশ্যে পৰৱৰ্তী দুখন মেচত ভাৰতে প্ৰত্যাৱৰ্তন ঘটাই শৃংখলা দখলৰ চেষ্টা চলাব বুলিও টীম ইণ্ডিয়াৰ অধিনায়কগৰাকীয়ে প্ৰকাশ কৰে। ৰোহিত শৰ্মাই প্ৰথম টেষ্টত পৰাজয়ৰ পিছত কয়, "মই দ্বিতীয় দিনৰ পিছত সংবাদমেলত কৈছিলো, আমি জানিছিলো যে এয়া প্ৰত্যাহ্বানজনক হ'ব। আমি ভবা নাছিলো যে আমি ৪৬ ৰানত অলআউট হ'ম, কিন্তু নিউজিলেণ্ডক কৃতিত্ব দিম। এইটোৱে আমাক খেলখনত পিছ পেলাই দিছিল। ভাল বস্তুবোৰ আগুৱাই নিব লাগিব। আমাক খেলখনত পিছ পেলাই দিছিল।

## মহৰীয়া চূড়ান্ত বিজয়ী

**ই-সংবাদ, ৰঙিয়া, ২১ অক্টোবৰঃ** ৰঙিয়াৰ কনিহা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত প্ৰয়াত মুক্তি যুজাৰু বিপিন চন্দ্ৰ শৰ্মা আৰু ৰমণীকান্ত শৰ্মা সোঁৱৰণী প্ৰাইজমানি চলন্ত ট্ৰফী প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত চূড়ান্ত খেলত মহৰীয়া ফুটবল ক্লাবে প্ৰতিদ্বন্দী ৰঙিয়া ফুটবল ক্লাবক টাইব্ৰেকাৰ পদ্ধতিত ৫-৪ গ'লৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ীৰ খিতাপ অৰ্জন কৰে। স্থানীয় বৃহত্তৰ কনিহা আঞ্চলিক ফুটবল ক্লাবৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাৰ অন্তত বিজয়ী দললৈ ট্ৰফীসহ সাত হাজাৰ আৰু বিজেতা দললৈ পাঁচ হাজাৰ টকা নগদ ধন আগবঢ়োৱা হয়। আনহাতে শ্ৰেষ্ঠ খেলুৱৈলৈ বৈকুণ্ঠ শৰ্মা-দময়ন্তী দেৱীৰ স্মৃতিত বটা আগবঢ়োৱাৰ লগতে শ্ৰেষ্ঠ গ'ল ৰক্ষকলৈও বটা আগবঢ়োৱা হয়। বঁটা প্ৰদান অনুষ্ঠানত এমণ্ড্ৰনৰ উপ-প্ৰৱন্ধক দিনমনি ভাণ্ডাৰ কায়স্থ, সদৌ অসম মুক্তি যুজাৰু সন্মিলনৰ সম্পাদক দ্বিজেন্দ্ৰ মোহন শৰ্মা, অৱসৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ ভট্টাচাৰ্য প্ৰমুখ্যে আন কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।




ভাৰতৰ বিৰুদ্ধে সহজ জয়ৰ পিছত দুই কিৱি বেটাৰ, বাংগালুৰুত দেওবাৰে

### পুৰুষ বিশ্বকাপৰ অনুৰূপ ধৰণে হতাশ দক্ষিণ আফ্ৰিকা

## ইতিহাস ৰচি মহিলা টি-২০ বিশ্বকাপত চেম্পিয়ন নিউজিলেণ্ড

**ডুবাই, ২১ অক্টোবৰঃ** ২৯ জুন ২০২৪। সেইদিনা ভাৰতৰ হাতত পুৰুষ টি-২০ বিশ্বকাপৰ ফাইনেলত পৰাস্ত হৈছিল দক্ষিণ আফ্ৰিকা। ২০ অক্টোবৰ, ২০২৪। নিউজিলেণ্ডৰ বিৰুদ্ধে মহিলা টি-২০ বিশ্বকাপৰ ফাইনেলতো হাৰ মানে দক্ষিণ আফ্ৰিকাই। দেওবাৰে দক্ষিণ আফ্ৰিকাৰ পৰাজয়ৰ লগে লগে ইতিহাস ৰচনা কৰে নিউজিলেণ্ডে। প্ৰথমবাৰৰ বাবে টি-২০ বিশ্বকাপত খিতাপ জয় কৰিবলৈ সমৰ্থ হয় দলটো। নিউজিলেণ্ডৰ পুৰুষ দলটোৱে আজিলৈকে কেতিয়াও টি-২০ বিশ্বকাপত জয়ৰ সোৱাদ লাভ কৰা নাই। তেওঁলোকে এদিনীয়া বিশ্বকাপো আজিলৈকে জয়ী হ'ব পৰা নাই। ২০২১ চনত কেন উইলিয়ামছনৰ নেতৃত্বত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত জয়ী হৈছিল নিউজিলেণ্ড। দেওবাৰে প্ৰায় ৩ বছৰ পিছত নিউজিলেণ্ডৰ ক্ৰিকেট ইতিহাসত যোগ হয় আন এক নতুন ক্ষণ। বিপৰীতে পুৰুষ দলটোৰ দৰে দক্ষিণ আফ্ৰিকাৰ মহিলা ক্ৰিকেট দলটোৱেও হতাশ হ'বলগীয়া হয়। পুৰুষ বিশ্বকাপৰ দৰে মহিলা বিশ্বকাপতো দক্ষিণ আফ্ৰিকা দলটোৱে প্ৰথমে বলিং কৰিছিল। নিউজিলেণ্ডৰ মহিলা দলটোৱে দেওবাৰে প্ৰথমে বেটিং কৰি ১৫৮ ৰান স্ক'ৰ কৰে। টি-২০ বিশ্বকাপত ভাগ লোৱাৰ পূৰ্বে একেৰাহে ১০খনকৈ মেচত পৰাস্ত হৈছিল দলটো। সেই নিউজিলেণ্ডেই যে এইবাৰ ফাইনেলত উপনীত হ'ব সেয়া কোনেও কল্পনা কৰিব পৰা নাছিল। কিন্তু অনিশ্চয়তাৰ ক্ৰিকেটত জয়েৰেই অভিযানৰ পাতনি মেলে নিউজিলেণ্ডে। ভাৰতৰ মহিলা দলটোক পৰাস্ত কৰি বিশ্বকাপত অভিযান আৰম্ভ কৰিছিল কিৱি বাহিনীয়ে। অৱশেষত ফাইনেলতো বিজয়ী হয় এমিলিয়া কাৰেৰ দলটো। নিউজিলেণ্ডৰ হৈ অধিনায়ক এমিলিয়াই ৪৩ আৰু অপেনাৰ ছুজি বেটছে ৩২ ৰান কৰে। শেষৰ ফালে ব্ৰুকি হলিডেই ২৮টা বলত ৩৮ ৰান স্ক'ৰ কৰি দলক ১৫০ ৰানৰ অধিক স্ক'ৰৰ দিশে লৈ যায়। চেম্পিয়ন হ'বলৈ দক্ষিণ আফ্ৰিকাক প্ৰয়োজন আছিল ১৫৯ ৰানৰ। কিন্তু দলটোৱে মাত্ৰ ১২৬ ৰানতে থমকি ৰয় ৩২ ৰানত পৰাজয় বৰণ কৰে। কিৱি বলাৰসকলৰ সুনিয়ন্ত্ৰিত বলিং আৰু ফিল্ডাৰসকলৰ ঈৰ্ষণীয় ফিল্ডিঙৰ পৰিপ্ৰেক্ষিতত মহিলা প্ৰ'টিয়াজ বাহিনীয়ে বিজয় লক্ষ্য অতিক্ৰম কৰাত ব্যৰ্থ হয়। এমিলিয়াই বেটিঙৰ লগতে বলিঙতো উজলি উঠে আৰু ৩টা উইকেট হস্তগত কৰে। এইবাৰৰ টি-২০ বিশ্বকাপত এমিলিয়াই দখল কৰিছে সৰ্বাধিক ১৫টা উইকেট। এমিলিয়াই প্লেয়াৰ অব দ্য মেচৰ লগতে প্লেয়াৰ অব দ্য ছিৰিজৰো খিতাপ জয় কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)